পাতালিকাণ্ড ৰামায়ণ

শ্ৰীখনান্দ্ৰ চন্দ্ৰ বৰুৱাৰ দ্বাৰা
সংগৃহীত আৰু সম্পাদিত

প্ৰকাশক
শ্ৰীফণীন্দ্ৰ চন্দ্ৰ বৰুৱা
গুৱাহাটী—১

মূল্য ২·৫০

মুদ্ৰক লক্ষ্মীপ্ৰিণ্টিং প্ৰেছ
গুৱাহাটী ১

উছৰ্গা

অসমীয়া সংস্কৃতি আৰু গীত পদ আদিৰ প্ৰতি একান্ত
অনুৰাগী আৰু সেইবোৰৰ উদ্ধাৰ আৰু
প্ৰচাৰৰ কাৰণে অশেষ যত্ন লোৱা
মোৰ চিৰ আৰাধ্য স্বৰ্গীয় পিতা
শ্ৰীউত্তমচন্দ্ৰ বৰুৱা আৰু স্বৰ্গীয়া মাই
শ্ৰীকনকলতা বৰুৱাৰ চৰণত
পাতালিকাণ্ড ৰামায়ণ
উছৰ্গা কৰিলোঁ ।

পাতনি

পাতালিকাণ্ড ৰামায়ণ পুথিখনি ৰামায়ণ গোৱা ওজা স্বৰ্গীয় দয়াৰাম বৈষ্ণৱ পৰা সংগ্ৰহ কৰি ছাপাখানাত দিবৰ কাৰণে কেতিয়াবাই যুগুত কৰিলোঁ। কিন্তু নানা অসুবিধাৰ কাৰণে ছাপাখানাত দিব পৰা নাছিলোঁ। পিচত প্ৰকাশন পৰিষদৰ সচিব শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াই পুথিখনি প্ৰকাশৰ কাৰণে প্ৰকাশন পৰিষদৰ সাহায্য পাবলৈ উপযুক্ত বুলি বিবেচনা কৰি পৰিষদৰ অনুমোদন লয়; আৰু ছাপা কৰাৰ কাৰণে সকলো ব্যৱস্থা কৰি দিয়ে। সেই বাবে শ্ৰীশইকীয়া আৰু প্ৰকাশন পৰিষদলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

গুৱাহাটী
২৩।৩।৭১

শ্ৰী খগেন্দ্ৰ চন্দ্ৰ বৰুৱা

ভূমিকা

ৰামায়ণৰ উত্তৰাকাণ্ডত সীতাৰ পাতাল প্ৰবেশৰ কথা উল্লেখ কৰিছে। লৱকুশে ৰামৰ ৰাজসভাত ৰামায়ণ গীত গোৱাৰ পাচত তেওঁলোকৰ পৰিচয় পাই ৰাম আবেগত আকুল হৈ উঠে আৰু সীতাক বাল্মীকিৰ তপোবনৰ পৰা অনাবলৈ হনুমানকে ধৰি ৪ জন দূত পঠিয়ায়। সীতাই পুনৰ ৰাজৰাণী হবলৈ মতাত আত্মসন্মানত আঘাত পায় আৰু লাজ অপমান সহ্য কৰিব নোৱাৰি ৰাজসভালৈ যাবলৈ মান্তি নহয়। পিচত বাল্মীকিয়ে সীতাক বঢ়াই বুজাই ৰাজসভালৈ লৈ আহে আৰু ঋষিয়ে নিজে গুৰুতৰ শপত খাই সীতা নিষ্কলঙ্ক নিষ্পাপ সতী বুলি ঘোষণা কৰি সীতাক ৰামক গতাই দিয়ে। ৰামেও বাল্মীকিৰ শপততে সীতাৰ সতীত্ব পৰীক্ষা হোৱা বুলি ধৰি লই সীতাক পুনৰ গ্ৰহণ কৰিব খোজে। কিন্তু সীতাই তেওঁক গৰ্ভৱতী অৱস্থাতে মৰিবৰ কাৰণে বনত এৰি থৈ অহা দুখ অপমানৰ বোজা আৰু সহ্য কৰিব নোৱাৰিলে। তেওঁ বিয়াৰ পিছতে ৰাজকুৱঁৰীৰ সুখ পৰিত্যাগ কৰি স্বামীৰ লগত বন-বাসলৈ যোৱা আৰু পিছত ৰাৱণে হৰি নিয়াৰে পৰা অশোক বনত নিৰ্য্যাতন ভোগ কৰা আদি অসীম দুখ-দুৰ্গতিৰ কৰুণ কাহিনী বিনাই যাব ধৰিলে। ৰাৱণক মাৰি সীতাক উদ্ধাৰ কৰি আনি অগ্নি পৰীক্ষা কৰি সীতাক ৰামে গ্ৰহণ কৰিলে। কিন্তু দুষ্টলোকৰ মিছা অপবাদক ভয় কৰি ৰামে গৰ্ভৱতী সীতাক বনৰ মাজত এৰি থৈ গুচি আহিল। শয়নে সপোনে সীতাই ৰামৰ বাহিৰে অইন পুৰুষক ভবা নাছিল। তথাপি সীতাক অকল পৰিত্যাগ কৰাই নহয়, তেওঁ মৰিবৰ কাৰণে দুৰ্ঘোৰ অৰণ্যত বাঘ-ভালুকৰ মাজত নিৰাশ্ৰয়অৱস্থাত এৰি থৈ আহিল। গৰ্ভত থকা লৱ-কুশকো মাৰি পেলাব খুজিলে। আজি আকৌ সেই

সীতাকে সিংহাসনত বহুৱাই ৰাজৰাণী কৰিব খুজিলে। গেৰুৱা বসন পৰিধানা সন্যাসীনী বেশী সীতাৰ কাৰণে ই অতি পৰিহাস আৰু চৰম অপমান। তেওঁ আৰু মানব সমাজত মুখ ৰাখিব নুখুজিলে। তেওঁ চন্দ্ৰ সূৰ্য্য আদি কৰি সকলো দেৱতাকে সাক্ষী কৰি হাতযোৰ কৰি ভয়ঙ্কৰ শপত খাব ধৰিলে। যদি তেওঁ শাস্তি হয়, যদি তেওঁ ধৰ্ম্ম ৰক্ষা কৰি আহিছে, যদি তেওঁ সতী হয় আৰু যদি ৰামেইহে তেওঁৰ একমাত্ৰ আৰাধ্য হয়, তেনেহলে আই বসুমতীয়ে যেন ফাট মেলি তেওঁক পাতা-ললৈ লৈ যায়। সীতাৰ সেই ভয়ঙ্কৰ শপত খোৱাৰ লগেলগে এক অদ্ভুত ঘটনা ঘটিল। এটা বিৰাট শব্দ কৰি পৃথিৱী ফাট মেলিলে আৰু সেই ফাটেদি সীতাক নিবলৈ এখন দিব্য সিংহাসন উঠি আহিল। সীতাই পুণৰায় কৃতাঞ্জলী হৈ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালে যেন জনমে জনমে জনক ৰজাহে তেওঁৰ পিতা হয়; দশৰথ ৰজাহে শহুৰ হয়; কৌশল্যাহে শাহু হয়; লৱ আৰু কুশকহে যেন পুত্ৰৰূপে পায় আৰু ভালুক আৰু বানৰহে যেন দুখৰ সহায় হয়। আৰু ৰামকহে যেন তেওঁ পতিৰূপে পায় আৰু ৰামৰ চৰণেই যেন তেওঁৰ গতি হয়। এই বুলি লৱ আৰু কুশৰ ডিঙিত সাবটি ধৰি হুক-হুককৈ কান্দি ৰামৰ ভৰিত পৰি সকলো দোষৰ বাবে ক্ষমা প্ৰৰ্থনা কৰি পাতালৰ সিংহাসনত উঠি পাতাল প্ৰবেশ কৰিলে। ৰাজসভা ইমানপৰে স্তব্ধ হৈ আছিল। এতিয়া সীতাৰ অবিহনে তাত হাহাকাৰ লাগি পৰিল। ৰামে কিছুপৰ স্তম্ভিত হৈ ৰ'ল। পিচত তেওঁৰ সকলো ক্ৰোধ পৃথিৱীৰ ওপৰত পৰিল আৰু পৃথিৱীক কাটিবলৈ হাতত ধনুশৰ ললে। তেতিয়া ব্ৰহ্মা আহি শ্ৰীৰামক প্ৰবোধ দিলে; আৰু পাতালৰ পৰা এটা বাণীত সীতাক পাতালৰ মুখ্য দেৱী কৰি সকলোৱে পূজা কৰি ৰাখিছে বুলি ৰামক শান্বনা দিলে।

উত্তৰাকাণ্ডৰ ইয়াতে সীতাৰ কথা শেষ। সীতাৰ করুণ কাহিনী তেওঁৰ পাতাল প্ৰবেশৰ দ্বাৰা আৰু বেচি মৰ্ম্মস্পৰ্শী কৰি তুলিছে। এই হৃদয় বিদাৰক বেদনা কিছুপৰিমাণে উপশম কৰিবৰ অভিপ্ৰায়ে

বোধকৰোঁ পাতালিকাণ্ড ৰামায়ণ ৰচিত হয়। কাৰণ মূল ৰামায়ণত পাতালিকাণ্ডত লেখা ঘটনাবোৰৰ উল্লেখ নাই বুলি পণ্ডিতসকলে কয়। কাৰো কাৰো মতে বাল্মীকি ৰামায়ণ লঙ্কা কাণ্ডতেই শেষ। সেয়ে হলে ৰামে লোক অপবাদৰ কাৰণে সীতাক বনবাস দিয়াৰ কথা নুঠে; আৰু লঙ্কাৰ অশোক বনত চৈধ্য বছৰ দুখ কষ্টত কটাই অগ্নি পৰীক্ষাত উত্তীৰ্ণ হৈ ৰামৰ লগত অযোধ্যালৈ ফিৰি আহি সীতাই মহা আনন্দত জীৱনৰ শেষচোৱা কটালেহেঁতেন। পাঠকেও শান্তিতে ৰামায়ণ পাঠ সমাপ্ত কৰিব পাৰে। কিন্তু সীতাৰ বনবাস, বাল্মীকিৰ আশ্ৰমত লৱ-কুশৰ জন্ম, আৰু সীতাক আকৌ ৰাজসভালৈ মাতি আনি পুনৰ পৰীক্ষা কৰিব খোজাত সীতাৰ পাতাল প্ৰবেশৰ কথা শুনিলে কোনেও চকুলো ধুটুকি নোৱাৰে। এনে অৱস্থাত পাতালিকাণ্ড ৰামায়ণৰ কথা পঢ়িলে পাঠকৰ স্বাভাৱিকতে কিঞ্চিত আনন্দ আৰু শান্তি লাভ হয়।

পাতাল প্ৰবেশৰ পাচত লৱকুশক নাপাই সীতাই অত্যন্ত মনমাৰি আছিল। পিছত বসুমতীয়ে সীতাক আনন্দ দিবৰ কাৰণে কাঞ্চকুট নাগৰ হতুৱাই লৱকুশক হৰি নিয়ে আৰু হনুমানে গৈ তেওঁলোকক পুণৰ উদ্ধাৰ কৰে। লগতে সীতাকো আনে আৰু ৰামৰ লগত সীতাৰ পুণৰ সাক্ষাত হয়। কিন্তু সীতাই এই জন্মত আকৌ ৰামৰ লগত থাকিব নোৱাৰিব বুলি অন্তৰ্ধ্যান হয়। এই-বোৰ কথা কোনো ছপা পুথিত পোৱা নাছিলোঁ। শ্ৰদ্ধেয় পণ্ডিত প্ৰবৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াকে আদি কৰি কেইবা গৰাকী পুৰাতাত্বিকৰ লগত আলোচনা কৰাত তেখেত সকলেও সীতা পাতাললৈ যোৱাৰ পাচত কোনো ঘটনা কোনো পুথিত দেখা নাই বুলি কৈ আমি সংগ্ৰহ কৰা পুথিখনি প্ৰকাশ কৰিবলৈ উদগনি দিয়ে। অৱশ্যে ১৯৬২ চনত ৰঘুনাথ মহন্তৰ "অদ্ভুত ৰামায়ণ" প্ৰকাশ হোৱাৰ আগতেহে তেখেত সকলৰ লগত আলোচনা কৰা হৈছিল।

এতিয়া ৰঘুনাথ মহন্তৰ "অদ্ভুত ৰামায়ণ" প্ৰকাশ হোৱাত দেখা যায় যে সেইখন পুথি আৰু পাতালিকাণ্ড পুথিৰ বিষয় বস্তুটো একে। কিন্তু ঘটনাৰ বিৱৰণীত বহুতো পাৰ্থক্য আছে। গতিকে অসমত চলিথকা ৰামায়ণৰ সাধু হিচাপে এই অপ্ৰকাশিত পুথিখনি ৰাইজৰ আগত দাঙি ধৰাৰ উদ্দেশ্যে পুথিখনি প্ৰকাশ কৰা হল। তাৰ দ্বাৰা এই বিষয় বস্তুটো লই প্ৰকাশ হোৱা অইন পুথিতকৈ বেচি গবেষণামূলক আলোচনা কৰিব খোজা ধৃষ্টতা আমাৰ নাই। পুথিখনি কামৰূপৰ নলবাৰী মহকুমাৰ অন্তৰ্গত উলাবৰী গাওঁৰ শ্ৰীদয়াৰাম বৈশ্য ওজাৰ পৰা পাইছিলোঁ। আলহুৰাম দাস বুলি কোনোবা এজনে পুথিখনি নকল কৰিছিল। আলহুৰাম কোন আৰু কোন পুথিৰ পৰা নকল কৰিলে তাক আমি বিচাৰ কৰি নাপালোঁ। শ্ৰীদয়াৰামৰ পিতাকো নামজাদা ওজা আছিল আৰু তেওঁৰ পৰা কিতাপখন পাইছিল। কামৰূপত ৰামায়ণৰ পদ গোৱা ওজা এওঁলোকেই। সুকনান্নি (সুকবি নাৰায়ণী) ওজা অৰ্থাৎ পদ্মপুৰাণৰ পদ গোৱা ওজা অৱশ্যে বহুত আছে। কিন্তু ৰামায়ণৰ পদ গোৱা নতুন ওজা ওলোৱা নাই। আৰু শ্ৰীদয়াৰাম বৈশ্য আৰু তেওঁৰ দলটোৰ পাচত ৰামায়ণ গোৱা ওজা হয়তো নাইকীয়াই হব। এওঁলোকে কমাৰকুছিৰ ৺দৌলপূজাৰ সময়ত বৰাবৰ ৰামায়ণ পদ গাই শুনায়। আমাৰ মনত পৰাৰ পৰা এওঁলোকৰ অৰ্থাৎ বৰ্ত্তমানে শ্ৰীদয়াৰাম আৰু তেওঁৰ আগত ৺দাসীৰাম ওজাৰ পদ শুনি আহিছোঁ। কিন্তু মূল ৰামায়ণত নথকা এইবোৰ কথা অসমত আহি কেনেকৈ সোমাল তাক পণ্ডিত সকলেহে কব পাৰিব। মূল ৰামায়ণৰ মূল কথাৰ লগত যে বহুতো প্ৰক্ষিপ্ত কথা সোমাইছে তাক পণ্ডিতসকলে স্বীকাৰ কৰে। জাৰ্ম্মান পণ্ডিত ডাঃ এম উইনতাৰনিট্জৰ মতে ৰামায়ণৰ সাধু বহু যুগলৈ মুখে মুখে চলি আহিছিল। আৰু পদ গাই ফুৰা গায়ক সকলে শ্ৰোতাসকলৰ মনবুজি তেওঁলোকৰ

প্ৰীতি সাধনৰ অৰ্থে লগে লগে নতুন পদ ৰচনা কৰি গাই গৈছিল সেই কাৰণেই উত্তৰ পশ্চিম ভাৰত, বোম্বাই আৰু বঙ্গদেশ, এই তিনি অঞ্চলত তিনিৰকমৰ ৰামায়ণ দেখা যায়; যদিও মূল কথাটো একে। অসমত কি দৰে সীতাৰ পাতাল প্ৰবেশৰ পাচত লৱকুশ হৰণ, আৰু হনুমানৰ দ্বাৰা উদ্ধাৰ; সীতাৰ ৰামৰ লগত পুণৰ সাক্ষাৎ আৰু অন্তৰ্ধ্যান, সেই বিষয়ে গবেষণা দৰকাৰ। কাৰণ আমি জনাত কোনো সংস্কৃত পুথিত বা অইন ভাৰতীয় ভাষাৰ পুথিত এইবোৰ ঘটনাৰ উল্লেখ নাই।

পুথিখনিৰ এঠাইত আছে "শুনা সভাসদ পদ পঞ্চাননে ভণে। ৰামৰ চৰণ সেবি হৰি বোলা ঘনে ॥" স্বৰ্গীয় পণ্ডিত কনকচন্দ্ৰ শৰ্ম্মা দেৱৰ সম্পাদন কৰা মাধব কন্দলী ৰামায়ণত স্বৰ্গীয় অধ্যাপক উমাকান্ত গোস্বামী দেৱে লেখা ভূমিকাত বিদ্যাপঞ্চানন দেৱে লেখা পাতালিকাণ্ড ৰামায়ণৰ কথা উল্লেখ কৰিছে। কিন্তু সেই পুথিখন আমি সংগ্ৰহ কৰিব নোৱাৰাত বিদ্যা পঞ্চানন আৰু পঞ্চানন একে জন কবিয়েই নেকি কব নোৱাৰিলোঁ। কামৰূপত প্ৰচলিত ৰামায়ণ-গোৱা ওজাৰ পদ এই পুথিত সন্নিবিষ্ট থকাৰ কাৰণেই ত্ৰই পুথিখন ছপা কৰা হ'ল।

পাতালপুৰিত সীতাৰ কাহিনী:

পাতালত প্ৰবেশ কৰি সীতাই অত্যন্ত মন মাৰি থাকিবলৈ ধৰিলে আৰু তেওঁৰ শৰীৰ শুকাই খীণাই যাব ধৰিলে। তাকে দেখি বসুমতি আয়ে কলে, "তুমি কিহৰ দুখত ইমান মনমাৰি আছা আৰু শৰীৰৰ এনেকুৱা অৱস্থা কৰিছা? তুমি নিজেই জানা যে ৰাম বৈকুণ্ঠৰ ঈশ্বৰ আৰু তুমি স্বয়ং লক্ষ্মীদেৱী। পৃথিৱীৰ কাৰ্য্য শেষ হলে ৰাম বৈকুণ্ঠক যাব আৰু তেতিয়া তোমালোকৰ পুনৰ্মিলন হব। ৰাম কেতিয়া বৈকুণ্ঠক আহিব তুমি জানা। জানি শুনি তুমি কিয় শোক কৰা? বসুমতীৰ কথা শুনি সীতাই লাজ পাই

কলে "মই ৰামৰ কাৰণেচিন্তাকৰি দুখ পোৱা নাই। বনবাসত জন্মা অকণ অকণ শিশু দুটি লৱ আৰু কুশৰ কাৰণেহে মই অস্থিৰ হৈছোঁ। সিহঁতক অবিলম্বে মোৰ ওচৰলৈ আনি দিয়া। যদি আনি দিব নোৱাৰা তেনেহলে মই প্ৰাণত্যাগ কৰিম। বসুমতীয়ে ইয়াকে শুনি হাঁহি মাৰি কলে বোলে তাৰ কাৰণেনো ইমান চিন্তা কৰিব লাগে নে? তোমাৰ লৱ কুশক মই এতিয়াই অনাই দিম। সীতাই কলে যে লৱকুশক আনাটো ইমান সহজ নহয়। ৰামৰ অনুচৰ লক্ষ্মণ হনুমানকে আদি কৰি মহা মহা বীৰগনে সিহঁতক সদায় ৰক্ষা কৰি আছে। হনুমানে অসংখ্য মায়া জানে। আৰু তেওঁৰ নিচিনা বীৰ জগতত কোন আছে? তেওঁৰ ওচৰলৈ কোনেনো যাবলৈ সাহ কৰিব? হনুমানৰ প্ৰশংসা শুনি বসুমতীয়ে অলপ হাঁহি মাৰি কলে "তুমি আমাৰ নাগসকলৰ মায়াবল আৰু প্ৰতাপ নজনাৰ কাৰনেহে বান্দৰ এটাক ইমান প্ৰশংসা কৰিছা। ৰাৰু মই নাগ-সকলক মতাই আনো। এই বুলি তেওঁ প্ৰধান প্ৰধান নাগসকলক মতাই আনিলে।

নাগসকল আহি বসুমতী আইক প্ৰণাম কৰি কি কাৰ্য্য সাধিব লাগে তাৰ আদেশ বিচাৰিলে। দেবলোক মনুষ্যলোক বা যক্ষ ৰক্ষ পিশাচ যি কোনো লোকতে যি কাৰ্য্য সাধিব লাগে তাৰ অনুমতি বিচাৰিলে। সীতাৰ আগত নাগসকলৰ কথা শুনি বসুমতী আনন্দিত হ'ল। সীতাই তেতিয়া নাগসকলক সম্বুধি কলে যে লৱকুশ পুত্ৰ দুটি অযোধ্যাত আছে আৰু তাত হনুমন্ত বীৰে ৰক্ষণা বেক্ষণ কৰি আছে। তাৰ পৰা তেওঁলোকক লই আহিব লাগে। এই কাম কোনে সাধিব পাৰিব? নাগসকলে ইমান পৰে খুব উৎসাহ দেখুৱাই আছিল; কিন্তু হনুমানৰ নাম শুনি আটাইবোৰেই কোচ খাই গল। চন্দ্ৰকুট বুলি এজন নাগে কলে "মই সাগৰক নগৰ আৰু নগৰক সাগৰ কৰিব পাৰোঁ; কিন্তু হনুমন্তৰ সমুখলৈ যাব

নোৱাৰো।” অগ্নিকুট নাগে কলে, “মই নানৰকম ৰতাহ ৰৰষুণৰ সৃষ্টি কৰিব পাৰোঁ; কিন্তু হনুমানক হলে বলে নোৱাৰোঁ।” ছদ্ম-কুট নাগে কলে “মই মায়া কৰি বাঘ সিংহ আদি কৰি নানা পশু আৰু নানাৰকম পক্ষী হব পাৰোঁ। কিন্তু হনুমন্তৰ লগত যুঁজিব নোৱাৰোঁ।” এনেদৰে ডাঙৰ ডাঙৰ নাগসকলে নিজৰ নিজৰ মায়াবল আদিৰ বৰ্ণনা দিলে, কিন্তু কোনেও হনুমানৰ ওচৰলৈ যাবলৈ আগ নাবাঢ়িলে। তেওঁলোকে পুৰণি কথা মনত পেলাই কলে যে ৰাৱণে লক্ষ্মণক শক্তিশেল হানাত তেওঁক জীয়াবলৈ গন্ধমাদন পৰ্ব্বতৰ ঔষধ বাতিবলৈ পাতালৰ পৰা পানী আনিব লগা হ'ল। কোনেও আনিব নোৱাৰে। তেতিয়া হনুমান আগবাঢ়ি আহি পাতালত সোমাল। বাটত ছায়াগ্রাশী নাগক মৰিলে। আৰু অইন অইন নাগে যে কিমান মায়া কৰিলে, কিন্তু হনুমানক একো কৰিব নোৱাৰিলে। লেজেৰে কোবাই অসংখ্য নাগ মাৰিলে। আমিও মাৰ খাই আধামৰা হৈ কোনোৰকমে পলাই সাৰিলোঁ। আমাৰ বিষে তেওঁক একো কৰিব নোৱাৰিলে। সেই হনুমানেই যদি অযোধ্যাত আছে তেনেহলে আমি তালৈ মৰিবলৈ যাব নোৱাৰোঁ। আমাক ক্ষমা কৰিব।

নাগসকলৰ এনেকুৱা কথা শুনি সীতাই কান্দিব ধৰিলে। তেওঁৰ প্ৰাণৰ পুত্ৰদ্বয় লৱকুশক আৰু দেখা নাপাব। সীতাৰ কান্দোন দেখি সৰ্পৰাজ বাসুকীয়ে প্ৰবোধ দি কলে, “আই তুমি নাকান্দিবা। কাল্কুট বুলি এজন নাগ আছে। তেওঁ অসংখ্য মায়া জানে আৰু তেওঁ নিশ্চয় তোমাৰ লৱকুশক আনি দিব পাৰিব। সীতাই কাল্কুটৰ মায়াবল চাব খুজিলে। তৎক্ষণাত সকলো আন্ধাৰ হ'ল আৰু সীতাই নিজৰ শৰীৰকো দেখা নোপোৱা হ'ল। তাৰ পিছত অসংখ্য সূৰ্য্যৰ উদয় হোৱাত চকুমেলি চাব নোৱাৰা হ'ল। তাৰ পিছতে শঙ্খচক্ৰ গদা পদ্মধাৰী অসংখ্য হৰি মূৰ্ত্তিৰ আবিৰ্ভাৱ হ'ল আৰু

চতুৰ্ভুজ হৰিৰ বাহিৰে জগতত একো নেদেখা হ'ল। তাৰ পিছত নাগে মায়া সম্বৰণ কৰিলে আৰু সকলো আগৰ দৰে হ'ল। কিন্তু লগতে দাড়ি চুলি পকা থৰক-বৰক কৰে অতি বুঢ়া বামুণ এজন ওলাল। কান্ধকুটে তেতিয়া বামুণৰ ৰূপ এৰি সীতাক প্ৰণাম কৰিলে। সীতায়ো তেওঁৰ ওপৰত সন্তুষ্ট হৈ তেওঁকে অযোধ্যালৈ যাবলৈ কলে।

কান্ধকুট নাগ অযোধ্যালৈ গৈ এজন অতি বুঢ়া বামুণৰ ভেশ ধৰি ৰামৰ ৰাজসভাত ওলাল। ৰামে তেওঁক বহিবলৈ আসন দি তেওঁৰ আগমণৰ উদ্দেশ্য সুধিলে। ব্ৰাহ্মণভেশী নাগে কলে তেওঁক একো নালাগে। তেওঁ হৰিবৰ্ষত থাকে আৰু তেওঁৰ বয়স ২ কোটি বছৰ হ'ল। এতিয়া তেওঁক কালে গ্ৰাস কৰাৰ সময় আহিল, তেওঁ কিছুমান ধনুৰ্বিদ্যা আৰু মৃদঙ্গ আদি বাদ্য জানে। মৰাৰ আগতে কাৰোবাক সেই বিদ্যাখিনি দি যাব পাৰিলে তেওঁ শান্তি পালে হয়। কপট নাগে তেতিয়া ধনুশৰ লই এপাত শৰ মাৰি গঙ্গাক আনিলে আৰু ৰাজসভাত হৰহৰকৈ গঙ্গা প্ৰবাহিত হৱ ধৰিলে। আকৌ এপাত শৰ মাৰি গঙ্গাক থৈ আহিল। এনেকৈ ধনুবিদ্যাৰ নানা কৌশল দেখুৱালে। তাৰ পিছত এটা খোল লই খোলতে ঢোল, খোল, তাল আদিৰ শব্দ উলিয়াই বজালে। ৰামে এইবোৰ মহিমা দেখি আনন্দিত হৈ কলে যে তেওঁৰ নিজৰ আৰু এইবোৰ বিদ্যাৰ প্ৰয়োজন নাই। কিন্তু তেওঁৰ ল'ৰা ছুটিক অৰ্থাৎ লৱকুশক এইবোৰ বিদ্যা শিকাবলৈ অনুৰোধ কৰি বুঢ়া বামুণক তাতে থাকিবৰ কাৰণে এটা সুন্দৰ ঘৰ সজাই দিলে। কপট নাগেও তেওঁৰ অভীষ্ট সিদ্ধ হ'ল জানি তাতে থাকি লৱকুশৰ শিক্ষাৰ ভাৰ ললে।

এনেদৰে একমাহ গ'ল। দুষ্ট নাগে লৱকুশক পলুৱাই নিয়াৰ একো ছল পোৱা নাই। ৰাতিপুৱা এক প্ৰহৰ সময়লৈ তেওঁ লৱকুশক শিক্ষা দিয়ে। দুপৰীয়া ৰামে চাৰি ভাতৃ সহ লৱকুশক লৈ ভোজন কৰে। এদিন হনুমান অযোধ্যাত ৰখকা সুবিধা লই

নাগে এটা নতুন বিদ্যা শিকাবৰ কাৰণে সিদিনা দুপৰীয়া লৱকুশে গুৰুগৃহত ভোজন কৰিব লাগিব বুলি কোৱাত লৱকুশ ঘৰলৈ খাবলৈ নাহিল। খাবলৈ অহাত পলম হোৱা দেখি লক্ষ্মণ খবৰ কৰিবলৈ গল আৰু লৱকুশে নতুন বিদ্যা শিকাৰ কাৰণে গুৰুগৃহত ভোজন কৰিব লগা কথা কোৱাত লক্ষ্মণ ফিৰি আহিল। ইফালে. ছেগ বুজি দুষ্ট নাগে তেতিয়াই লৱকুশক পাতাললৈ পলুৱাই নি সীতাৰ আগত আনি দিলে।

দুপৰীয়া খাই-বই উঠাৰ পাচতো লৱকুশ ফিৰি নহা দেখি ৰামে তেওঁলোকক বিচাৰি গৈ দেখে যে কপট বামুনৰ ঘৰ শুদা। লৱকুশক নেদেখি কিবা অমঙ্গল হ'ল বুলি ৰাম অধৈৰ্য্য হ'ল আৰু মূৰ্চ্চা গ'ল। লক্ষ্মণ আদি ভাযেক সকল অস্থিৰ হ'ল আৰু কৌশল্যাকে আদি কৰি ৰাজমাতা সকলে কান্দিব ধৰিলে। গোটেই অযোধ্যা নগৰতে শোকৰ ছাঁ বিয়পি পৰিল। কিছুপৰ পিচত ৰামে চেতনা পাই বহুত কান্দিলে আৰু লক্ষ্মণ আৰু ভৰতে তেওঁক শান্ত্বনা দিব ধৰিলে। অলপ সুস্থ হোৱাৰ পাচত ৰাম খঙত জ্বলি উঠিল আৰু সমস্ত জগতকে সংহাৰ কৰিব বুলি হাতত ধনুশৰ ললে। ৰামৰ ক্ৰোধ দেখি ত্ৰিজগত কঁপি উঠিল। লক্ষ্মণে তেতিয়া বুজাব ধৰিলে যে তেওঁলোকে লৱকুশক নিশ্চয় বিচাৰি উলিযাব পাৰিব। আৰু হনুমান আদি বীৰ সকলক বেলেগ বেলেগ দিশলৈ পঠিয়াব লাগে। ৰামেয়ো কিঞ্চিত শান্ত হৈ লক্ষ্মণৰ কথা মানি লই বিভিন্ন দিশলৈ বীৰ সকলক পঠিয়ালে। পূবে জাম্বুবানক লই ভৰত; উত্তৰে সুগ্ৰীবক লগত লই শত্ৰুঘ্ন; দক্ষিণে অঙ্গদ আৰু পশ্চিমে বিভীষণ গল। হনুমানক লগত লই লক্ষ্মণ আকাশ আৰু পাতাল বিচাৰি ওলাল।

ইফালে পাতালত লৱকুশক পাই সীতা আনন্দত অধীৰ হ'ল। আৰু অযোধ্যাত ইমান দিন মাতৃবিহীনে তেওঁলোকক কোনে চাইছিল,

—২

কি কৰিছিল আদি কথা সুধিবলৈ ধৰিলে। লৱকুশে তেওঁলোকক দেখা নাপাই ৰাম অস্থিৰ হব বুলি কলে আৰু হনুমানৰ আগত তেওঁলোকক পাতালত লুকাই ৰাখিব নোৱাৰিব বুলি কৈ সোনকালে অযোধ্যাত ফিৰাই দিবলৈ কলে। আই বসুমতীয়ে কলে যে পাতাল পুৰত প্ৰবেশ কৰিবলৈ ইন্দ্ৰৰো শক্তি নাই। হনুমানৰ নিচিনা এটা বান্দৰে কি কৰিব পাৰে। লৱকুশে হনুমানৰ গুণ কীৰ্ত্তন কৰি কলে যে হনুমানৰ মায়া কোনেও বুজিব নোৱাৰে আৰু অচিৰাত তেওঁ পাতাললৈ আহি তেওঁলোকক লই যাব। বসুমতী আয়ে সতৰ্কতা অৱলম্বন কৰি পাতাল পুৰৰ দুৱাৰ ভালকৈ বন্ধ কৰি পহৰা দিয়াৰ ব্যৱস্থা কৰিলে আৰু গোটেই ৰাজ্যতে হনুমান সম্পৰ্কে সাৱধান বাণী শুনাই দিলে।

ইফালে ৰামৰ অনুচৰ সকলে ত্ৰিভুবনত লৱকুশক বিচাৰি হায়ৰাণ হ'ল। হনুমানক লগত লই লক্ষ্মণে প্ৰথমে বিষ্ণুলোক, পিচত কৈলাশ আৰু তাৰপিচত ব্ৰহ্মলোক পালেগৈ। ব্ৰহ্মালোকত ব্ৰহ্মায়ে দিব্য দৃষ্টিৰে চাই কলে লৱকুশ পাতালত বসুমতীৰ ঠাইত সীতাৰ ওচৰত আছে। সেই ঠাইলৈ দেৱতা, গন্ধৰ্ব্ব বা মানুহ যাব নোৱাৰে। কেৱল সাপ আৰু বানৰ হে যাব পাৰে। ইয়াকে শুনি লক্ষ্মণ আৰু হনুমান উভতি আহি ৰামৰ আগত সকলো বিৱৰি কলে আৰু ৰামৰ আশীৰ্ব্বাদ লই হনুমান পাতাললৈ ওলাল। তেওঁ সাগৰত জাপ মাৰি পৰি নাগৰ ৰূপ ধৰি বসুমতীৰ নগৰ পালেগৈ। নগৰ পাই আকৌ বান্দৰৰ ৰূপ ললে। তেতিয়া নাগসকলে তেওঁক বেৰি ধৰি মাৰিবলৈ আহিল আৰু হনুমানক দংশিবলৈ ধৰিলে। হনুমানে কিছুপৰ যুদ্ধ কৰি মৰাভাও জুৰিলে। নাগসকলে আনন্দ কৰি বসুমতীক খবৰ দিলে। বসুমতীয়ে সীতাক কলে ৰামচন্দ্ৰৰ অনুচৰ হনুমানে পাতালত আহি প্ৰাণ হেৰুৱালে। কিন্তু সীতা আৰু লৱকুশে হনুমান মৰা কথাটো বিশ্বাস কৰিব নোৱাৰিলে। বসুমতীয়ে

তেওঁলোকক লই হনুমানৰ মৰাশটো চাই আহিল। বসুমতীয়ে ধৰি ললে হনুমান নিশ্চয় মৰিল। সীতা আৰু লৱকুশে ভাবিলে হনুমানে কিবা মায়া কৰিছে। কাৰণ তেওঁলোকে জানে হনুমান অমৰ।

আচলতে হনুমানে মায়া কৰি তেওঁৰ মৰা শৰ সৃষ্টি কৰি নাগ-সকলক ভুলাই ৰাখিলে। ইফালে তেওঁ এগৰাকী বুঢ়ীৰ বিয়া দিয়া জীয়েকৰ ৰূপ ধৰি গধুলি বুঢ়ীৰ ঘৰ ওলাল। বুঢ়ীয়ে হঠাৎ এনেকৈ অকলে অকলে ৰাতি জীয়েক অহাৰ কাৰণ শোধাত জীয়েকে কলে যে গিৰীয়েকৰ অসৎ ব্যৱহাৰ আৰু অত্যাচাৰৰ কাৰণে তাই গুচি আহিছে। পিচ দিনা ৰাতিপুৱা অইন অইন তিৰোতাৰ লগত সিহঁত বসুমতীৰ সভালৈ আহিল। সভাত বসুমতীয়ে প্ৰাৰ্থনা অনুযায়ী সকলোকে বৰ দিব ধৰিছে। বুঢ়ীৰ ছোৱালী ৰূপ ধৰি অহা হনুমানে বসুমতীক সেৱা কৰি স্বামীৰ কাৰ্য্য যেন সাধিব পাৰে তাকে বৰ মাগিলে আৰু বসুমতীয়েও "তথাস্তু" বুলি বৰ দিলে। আৰু বৰ লভি হনুমানে কাৰ্য্য সিদ্ধি হ'ল বুলি আনন্দিত হ'ল আৰু সীতাক প্ৰণাম কৰি ওলাই গল।

হনুমান ওলাই গৈয়েই নিজৰ ৰূপ ধৰি তৰ্জ্জন গৰ্জ্জন কৰিব ধৰিলে আৰু তৎক্ষণাতে সীতাৰ লগত লৱকুশক আনি দিবলৈ নাগসকলক হুকুম দিলে। কথা শুনি নাগসকল খঙতে জ্বলি পকি উঠিল আৰু হনুমানৰ লগত তুমুল যুদ্ধ আৰম্ভ হ'ল। যুদ্ধত অসংখ্য নাগ মৰিল আৰু বসুমতীলৈ বাৰ্ত্তা পঠিয়া হ'ল। বসুমতীয়ে তেওঁৰ প্ৰধান প্ৰধান নাগ সকলক মাতি আনি হনুমানক মাৰিবলৈ আদেশ দিলে। লৱকুশক পলুৱাই অনা কাঞ্চকুট নাগ ওলাই আহি হনুমানক গালি পাৰিবলৈ ধৰিলে। হনুমানে কলে তেওঁ সিদিনা কিষ্কিন্ধাত নথকা হলে কাঞ্চকুট সাৰি আহিব নোৱাৰিলে হৈ! কাঞ্চকুটে নানা মায়া দেখুৱাই যুদ্ধ কৰিও হনুমানক একোপধ্যে পৰাভূত কৰিব নোৱাৰি পলাল। একো উপায় নেদেখি সৰ্পৰাজ বাসুকী নিজে

যুদ্ধত নামিল। হনুমানে বাসুকীৰ মূৰৰ ওপৰত বহি লই বাসুকীক মাৰি পেলাবলৈ ভয় দেখুৱালে। বাসুকীৰ ভাৰ্য্যাগণে ভয় পাই লৰি গৈ বসুমতীৰ আগত সকলো বিবৰণ কলে। লৱকুশে বসুমতী আইক কলে, শ্ৰীৰামচন্দ্ৰ সাক্ষাত ঈশ্বৰ আৰু হনুমান ৰামকাৰ্য্য সাধিবলৈ আহিছে। বসুমতীয়ে নিজেই স্বামীৰ কাৰ্য্য সাধন কৰিব বুলি হনুমানক বৰ দিছে। গতিকে তেওঁক কোনেও বাধা দিব নোৱাৰে। এইবুলি বসুমতীৰ আদেশ লই লৱকুশ হনুমানৰ ওচৰলৈ গল। হনুমানে লৱকুশক দেখা পাই বাসুকীক আজুৰি পেল'ই দি দুয়োকো সেৱা কৰি কোলাত তুলি ললে। আৰু তেওঁলোকক কোলাত লই সীতাৰ ওচৰ পালেগৈ। তাৰ পিচত বসুমতীয়ে সীতা আৰু লৱকুশক ৰামৰ ওচৰলৈ পঠিয়াই দিয়াৰ বন্দোবস্ত কৰিলে আৰু হনুমানে তেওঁলোকক লই ৰামৰ ওচৰ পালে।

লৱকুশৰ লগতে সীতাকো পাই ৰামৰ আনন্দৰ সীমা নাইকীয়া হ'ল। আৰু গোটেই অযোধ্যা পুৰীতে হৰ্ষধ্বনি হৈ উঠিল। ৰামে সিংহাসনৰ পৰা নামি আহি লৱকুশক সাবটি ধৰিলে। আৰু সীতাই ৰামক প্ৰণাম কৰিলে। সীতাৰ অবিহনে ৰামে কিমান দুখত দিন কটাইছে তাক কই সীতাক সকলো অভিমান ত্যাগ কৰি পুনৰ ৰামৰ সহধৰ্ম্মিনী হৈ নিজৰ পৰিত্যক্ত স্থান গ্ৰহণ কৰিবলৈ ৰামে সীতাক অনুনয় কৰিলে। সীতাই ৰামক মনত পেলাই দিলে যে এই জন্মত আৰু তেওঁলোকৰ পুনৰ দৈহিক মিলন হব নোৱাৰে। ৰামৰ বৈকুণ্ঠ প্ৰয়াণৰ পিচত তেওঁলোকৰ পুনৰ্মিলন হব। এই বুলি কই সীতা অন্তৰ্ধ্যান হ'ল আৰু পাতালপুৰীত বসুমতী আইৰ ওচৰলৈ গ'ল। লৱকুশ ৰামৰ ওচৰতে ৰৈ গ'ল।

পাতালিকাণ্ডৰ কথা ইমানতে শেষ। উত্তৰাকাণ্ডত সীতাৰ পাতাল প্ৰবেশৰ করুণ কাহিনীৰ পাচত পাতালিকাণ্ডৰ এইখিনি কথাই নিশ্চয় পাঠক বা শ্ৰোতাৰ মনত শান্তি বা আনন্দ দিব। এই অনু-ভূতিত পাতালিকাণ্ড ৰামায়ণ ৰাইজৰ আগত দাঙি ধৰিলোঁ।

শ্ৰীধনীন্দ্ৰ চন্দ্ৰ বৰুৱা

পাতালিকাণ্ড ৰামায়ণ

আত অনন্তৰে শুনা যেন কথা ভৈলা ।
পাতালি পুৰত সীতাই কি কাৰ্য্য কৰিলা ॥
দণ্ডে একযুগ যায় নাহি সুখ শান্তি ।
মনে একো উপায় নাপান্ত গুনি গান্থি ॥
শয়ণে ভোজনে একো নুৰুচে সীতাৰ ।
পুত্ৰৰ শোকত মায়ে দেখে অন্ধকাৰ ॥
শৰীৰৰ কান্তি গুচে ভৈলন্ত মলিন ।
মাণিক পুতলি তনু খানি ভৈলা ক্ষীণ ॥
বসুমতী দেখি পাচে জীউৰ* বিলাই ।
আথেবেথে সোধে কথা কিনো ভৈলা আই ॥
সত্বৰ কৰিয়া মোক কহ প্ৰাণেশ্বৰী ।
কি কাৰণে শৰীৰৰ কান্তি দূৰ কৰি ॥
কহিয়োক মাৱ তুমি কিবা অথন্তৰ ।
তুমি লক্ষ্মী ৰামচন্দ্ৰ বৈকুণ্ঠ ঈশ্বৰ ॥
পৃথিবীত লীলা কৰি দুষ্টক সংহাৰি ।
বৈকুণ্ঠে চলিবো ৰাম জানা নিষ্ঠ কৰি ॥
ৰামেসমে একেলগে তোৰা দুই জন ।
মনুষ্য লোকক পূৰ্ব্বে কৰিছা গমন ॥
কোন থানে কত দিন ইচ্ছা থাকিবাৰ ।
পূৰ্ব্বে থিৰ কৰি আছে ৰাম অৱতাৰ ॥

* জীউৰ—জীয়াৰীৰ

যেহি দিনা ৰামচন্দ্ৰ বৈকুণ্ঠে আসিবে ।
সেহি দিন হন্তে তুমি ৰাম সঙ্গ পাইবে ॥
কৈসানি আসিব ৰাম তাঙ্ক জানা তুম ।
কাতৰ কৰিয়া এহিমতে সোধে তুমি ॥
মাৱৰ বচনে পাচে লজ্জিত সুন্দৰী ।
কিসক নমৰি মই আছো প্ৰাণ ধৰি ॥
ৰাম অৱতাৰত মোহোৰ লাগে ঘিণ ।
শুনা যিকাৰণে মোৰ তনু হৈলা ক্ষীণ ॥
অৰণ্যৰ মাজে দুই গুটি পুত্ৰ পাইলোঁ ।
বিধি বিড়ম্বনে মই তাহাঙ্ক ছাড়িলোঁ ॥
দুই পুত্ৰ অবিহনে মোৰ প্ৰাণ যাই ।
এহিসে অসুখ মোৰ জানিবাহা আই ॥
দিয়া মোক পুত্ৰ দুই আনি এহি স্থানে
তান অবিহনে মই তেজিবো পৰাণে ॥
নিশ্চয় কৰিয়া মই কহিলোঁ তোমাত ।
যদি পুত্ৰ আনি নেদা মৰিবো সাক্ষাত ॥
শুনি বসুমতী পাছে বুলিলা বচন ।
ইহাক লাগিয়া তুমি নকৰা ক্ৰন্দন ॥
তোমাৰ শিশুক আনি দিব এতিক্ষণে ।
আক লাগি চিন্তা সতী নকৰিবা মনে ॥
সীতা বোলে আই বসুমতী শুনা বাণী ।
কোনে আনিবেক চলিবেক কোন প্ৰাণী ॥
ৰামৰ সহিতে বীৰ অনেক আছয় ।
মহা বলৱন্ত সবে পৰম দুৰ্য্যয়* ॥
অসংখ্যাত মায়া জানে আতি অদভুত ।
তিনিয়ো ভুবনে সম নাহিক যুগুত ॥

*দুৰ্যায়—দুৰ্জ্জয়

আতিশয় পৰাক্ৰম ধায়ুৰ নন্দন ।
নাহিক হনুৰ সম বীৰ একজন ॥
আছন্ত লক্ষ্মণ বীৰ মহা ধনুৰ্দ্ধৰ ।
দেৱতা মনুষ্য যাৰ স্তুতি সমসৰ ॥
সেহি দুই তনয়ক কৰয় ৰক্ষণ ।
মৰিবাক লাগি কোনে কৰিব গমন ॥
এতেকতে মাও মই নেদেখো উপায় ।
কোনে আনি দিবা পাৰে দুইগুটি পুতাই ॥
পুত্ৰ অবিহনে মই মৰিবো পাতালে ।
জানিলোঁ নিশ্চয় মোক গ্ৰাসিলোক কালে ॥
সীতাৰ আকুলবাণী শুনি বসুমতী ।
শুনা মাও চিন্তা সব থয়ো দূৰ কৰি ॥
মোহোৰ পুৰৰ তুমি মহিমা নাজানা ।
মহা বিচক্ষণ নাগ তাৰ কথা শুনা ॥
সমস্ত মায়াক জানে আতি বলবন্ত ।
সাগৰ শুষিবে পাৰে হেন অদভুত ॥
সীতা বোলে জানে মায়া নাগ সমস্তয় ।
কাৰ শৰীৰৰ কত মহিমা আছয় ॥
কিবা মায়া জানে তাক জিজ্ঞাসিয়া চাওঁ ।
হনুমন্ত বীৰ সম শুনিয়া নাপাওঁ ॥
বসুমতী বোলে আই কিবা কথা কহ ।
বানৰ গোটক বীৰ বুলি বখানহ ॥
হেন শুনি সীতা সতী স্তম্ভিয়া ৰহিলা ।
মুখ্য মুখ্য নাগগণ ভেখনে মাতিলা ॥
বসুমতী আগে সবে প্ৰণাম কৰিলা ।
কি কাৰণে ভগৱতী আমাক মাতিলা ॥

কিবা প্ৰয়োজন মাও কহিয়ো সম্বৰে ।
তথু অভিপ্ৰায় সাধো ত্ৰৈলোক্য ভিতৰে ॥
কিবা মনুষ্যত কিবা দেব বৈকুণ্ঠত ।
যক্ষ ৰক্ষ পিশাচ অনন্ত ভূবনত ॥
নকৰা বিলম্ব মাও কহা ভগবতী ।
হৰ্ষান্বিত হুয়া পাছে বোলে বসুমতী ॥
শুনা মাতা সীতা দেবী বচন নাগৰ ।
ত্ৰৈলোক্য বিজয়ী মোৰ নাগ দৃঢ়ত্তৰ ॥
সীতা বোলে পৰীক্ষা কৰিবো সবাহাৰ ।
কোনে পাইবে পাৰে সিতো* অযোধ্যা নগৰ ॥
শুনা শুনা নাগগণ কহোঁ স্বৰূপত ।
ৰামৰূপে হৰি অৱতাৰ অযোধ্যাত ॥
মই লক্ষ্মী তান সঙ্গ আছোঁ বাট চাই ।
বৈকুণ্ঠ ভুবনে প্ৰভু দেব ৰঘুৰাই ॥
তাহান কনিষ্ঠ ভাই আৰু তিনি জন ।
চাৰি অংশে পুত্ৰ জানা ৰঘুৰ নন্দন ॥
মহা বলবন্ত বীৰ কনিষ্ঠ লক্ষ্মণ ।
তাহান প্ৰহাৰ সহিবেক কোনজন ॥
সমস্তক স্ৰজে পালে দুষ্ট বিনাশয় ।
লক্ষ লক্ষ নৃপ সবে ৰামক সেৱয় ॥
হুঙ্কাৰতে আসি থাকে অযোধ্যা নগৰী ।
আৰু এক কথা কহোঁ আত অনন্তৰি ॥
শুনা বসুমতী তুমি নাগ অধিপতি ।
বায়ুৰ তনয় হনুমন্ত মহামতি ॥

---

*সিতো—সিটো

খবিবৰে হুয়া আছে অজয় অমৰ।
বামে বৰ দিয়া আছে সবে সুৰাসুৰ ॥
শীত উষ্ণ সুখ দুখ নোচোৱে শৰীৰ।
কহিতো নাহিক মৃত্যু হনুমন্ত বীৰ ॥
ময়োবৰ দিয়া আছোঁ আৰোগ্য শৰীৰ।
শিশু দুইকো ৰাখি থাকে হনুমন্ত বীৰ ॥
নখে বিদাৰিবে পাৰে মেৰু যে মন্দৰ।
হস্তী মাখি হুইবে পাৰে মায়া বহুতৰ ॥
আক জানি যাহা কোন অযোধ্যা নগৰি।
কোনবীৰে মায়া জানে কহ শীঘ্ৰ কৰি ॥
কোটি কোটি মুখ্য নাগ আছে সেহি স্থানে
চন্দ্ৰকুট নাগে কহে সভা বিন্তমানে ॥
নগৰক সাগৰ কৰিতে মই পাৰো।
হনুৰ সমুখে মই যুজিবে নপাৰোঁ ॥
অগ্নিকুট নামে নাগ মহা ভয়ঙ্কৰ।
বাত বৃষ্টি কৰিবাক পাৰো বহুতৰ ॥
বলত নহিক মই হনুৰ সমান।
তুঙ্গকুট নামে নাগে কহে সন্নিধান ॥
সিংহ বাঘ হুইবে পাৰো পশু পক্ষী যত।
হনুলগে যুজিবাক মুহিকে শকত ॥
কোশপুৰ নাগে কথা কহে বাৰে ৰাৰ।
জানোহোঁ অগ্নিৰ মায়া আমি সাৰে সাৰ ॥
ভস্মবিল শালকুট কহে দুয়ো জন।
অসংখ্যাত সৰ্পমণয়া কৰিবো সৃজন ॥
কৃপকুট জনকুট তক্ষক ৰাজাৰ।
চৰ্ম্মকুট ভদ্ৰকুট হুজা সাৰে সাৰ

বিন্দুকুট অমৃধাভা কুঞ্জন বিধান ।
বেঞ্জুকুট কালিকুট কুটৰ প্ৰধান ॥
বিদ্ধি সিদ্ধি ৰাৱণ কুট ৰবিবাণ ।
জেঙ্কাৰা জেঙ্কৰ মাৰকুট অনুপাম ॥
সবে মায়া কৰোঁ আমি নৰ মনুষ্যত ।
শুনা মাও বসুমতী আমাৰ মহত ॥
লঙ্কাত লক্ষ্মণ বীৰ যেহি কালে গৈলা ।
ৰাবণেও লক্ষ্মণক শকতি হানিলা ॥
তাহাঙ্ক জীয়াইবে লাগে পাতালৰ পানী ।
ৰামে বোলে পাতালক যাইবে কোন প্ৰাণী ॥
হেঁট মাথে ৰামচন্দ্ৰ বিকলিত ভৈলা ।
আগবাঢ়ি হনুমন্তে বুলিবেক লৈলা ॥
আজ্ঞা কৰা প্ৰভু মই চলিবো পাতাল ।
নাগ সমস্তৰ জানা মই যমকাল ॥
এহিবুলি পাতালপুৰক গৈলা ধায়া ।
ছায়া গ্ৰাসীক মাৰিলা বাটে মোচাৰিয়া ॥
কতেক কৰিলোঁ মায়া নাগ যত যত ।
আচাৰি মাৰিলা কতো লেঞ্জৰ কোবত ॥
আধামৰা হুয়া আমি আছিলোঁ পৰিয়া ।
আমাৰ দাৰুণ বিষ গৈলেক উৰিয়া ॥
যদি সেহি হনুমন্ত আছে অযোধ্যাত ।
তাৰ হাতে পৰি কোন মৰিবে সাখ্যাত ॥

সীতাৰ বিলাপ

মুক্তাৱলী

প্ৰাণেৰ পুতাই ।	আছা কোন ঠাই ॥
বিচাৰি নাপাই ।	শোকে প্ৰাণ যায় ॥
গৈলা কোন দিশ ।	কৰি আছো কিস ॥
নাপাওঁ উদিশ ।	বিচাৰি গৰল বিষ ॥
ঘোৰ অৰণ্যত ।	দুখ পাইলোঁ। যত ॥
তোমাৰ লগত ।	বাল্মিকি ঘৰত ॥
অযোধ্যা নগৰে ।	থৈলা কাৰ ঘৰে ॥
বাঞ্ছা কিবা তোৰ ।	এৰি কাৰ ঘৰে ॥
দাৰুণ বাঘৰ ।	দিলা পৰাত্তৰ ॥
দুখে মৰি যাই ।	চাইবে কোনোবাই ॥
কোনে প্ৰাণ দান ।	দিবে এহি স্থান ॥
শ্ৰীৰাম সন্তান ।	দেখাই বিদ্যমান ॥

পদ

সীতাৰ সন্তাপে নাগগন আছে চাই ।
সৰ্পৰাজ বাসুকীয়ে মাতিলা দুনাই ॥
শুনামাও সীতা তুমি নকৰা ক্ৰন্দন ।
কাঞ্চকুট নামে আছে এক জন ॥
অসংখ্যাত মায়া জানে লেখ নাই তাৰ ।
আনিবেক তনু পুত্ৰ কৈলো। সাৰে সাৰ ॥

লোতক মুছিয়া পাছে দেখে সীতাসতী ।
কোনে মায়া জানে মোক দেখাওঁ ইতিতি ॥
তেতিক্ষণে কাঞ্চকুট মায়া যে কৰিলা ।
কাকো কাৰে নেদেখিলা অন্ধকাৰ ভৈলা ॥
নেদেখয় সীতাসতী আপোনাৰ কায়া ।
আতপৰে অসংখ্যাত সূৰ্য্য নাগমায়া ॥
ভৈলন্ত প্ৰসন্ন সিটো দেখি আপোনাক ।
নেদেখি বাসুকী নাগগন সমস্তক ॥
শঙ্খ চক্ৰ গদা পদ্ম ধৰি আছা হাতে ।
অসংখ্যাত হৰি মূৰ্ত্তি ধৰিলা সাক্ষাতে ॥
সমস্ত গুচিয়া সভা পূৰ্ব্বমত ভৈলা ।
কাঞ্চকুট নাগে এক বুদ্ধি সৰজিলা ॥
যেন সনসুতা জৰী গুম্ফ কেশবৰ ।
খোঞ্জ কাঢ়ি যাম্ভে দম্ভ কৰে লৰফৰ ॥
সিটো মায়া সম্বৰিয়া নমে বসুমতী ।
সীতা বোলে যাৱা তুমি অযোধ্যাক প্ৰতি
সীতাক নমিয়া বাসুকীক প্ৰণমিলা ।
জ্ঞাতি নাগগণ মানে সবাকো নমিলা ॥
সবাকো সম্মুখি কহে কৰিয়া নিশ্চয় ।
লব যে কুশক মই আনিবো নিশ্চয় ॥
চুৰি কৰিবাক পাৰোঁ ৰাম নাৰায়ণ ।
যুদ্ধত নপাৰে মোক পবন নন্দন ॥
এক্ষণে আনিব মই সীতাৰ তনয় ।
যদি হনুমান আসে পলাইবে নিশ্চয় ॥
শুনি নাগগণ পাছে কৰযোৰ কৰে ।
হনুমান ঐত আছে কৰিয়ো জৰ্জ্জৰে ॥

পাছে কাকুকুট নাগ গৈলা অযোধ্যাক ।
প্রবেশিলা গৈয়া পাছে ৰামৰ সভাক ॥
ঘোৰ বৃদ্ধ বিপ্ৰ হুয়া সভাত পশিলা ।
লাখুটিত ভৰ দিয়া তথাতে ৰহিলা ॥
চক্ষুজুৰী ঢাকি আছে ভ্রূৰে আৰ কৰি ।
প্ৰকাশয কেশ দাড়ি শুক্ল বৰ্ণ ধৰি ॥
নিশ্বাসতে লৰে গাৱ কৰে ফাটফুট ॥
ঢলো পলো কৰে গাৱ দেখয় সাক্ষাত ॥
দেখি ৰাম চন্দ্ৰে পাছে বিপ্ৰত পুছিলা ॥
বসিবাক লাগি আসনক আনি দিলা ।
কৈৰ হন্তে বিপ্ৰ তুমি আইলা কি কাৰণ ।
কহিয়ো সত্বৰে সাধো কিবা প্ৰয়োজন ।
কপটে বোলয় প্ৰভু কিছু নলাগয় ।
হৰি বৰিষত থাকো কহিলোঁ নিশ্চয ॥
শুনি আছোঁ ৰামৰূপে ভৈলা অৱতাৰ ।
দুই কোটি বছৰ মোৰ কৈলোঁ সাৰে সাৰ ॥
চলিবে নপাৰোঁ কালে গ্ৰাসিলেক মোক ।
ধনুৰ্ব্বান মন্ত্ৰ কিছু পাৰোঁ শিখাইবেক ॥
দেহ একখানি ধনু শৰ সমন্বিতে ।
তেতিক্ষণে ৰাম চন্দ্ৰে যোগাইলা ত্বৰিতে ।
ধনুখান ধৰি পাছে কৰিয়া বোধণ ।
শৰ মাৰি গঙ্গাক আনিলা তেতিক্ষণ ॥
শৰৰ আগত গঙ্গা ৰাম আগে আইলা ।
হুৰহুৰ কৰি গঙ্গা ৰহিবাক * লৈলা ॥

---

*ৰহিবাক লৈলা বৰ ধৰিলে । ২৫

পুনু শৰ মাৰি গঙ্গা থৈলা সেই ঠাই ।
আৰু এক পাত শৰ মাৰিলা চুনাই ॥
সেহি শৰে অসংখ্যাত শৰ আছে নামি ।
সভাৰ মাজত থৈলা ৰামক প্ৰণামি ॥
পাছে শৰ মাৰি সবাহাক দূৰ কৈলা ।
দেখি ৰাম দেৱে আতি বিস্ময় মানিলা ॥
মৃদঙ্গ একগুটি আনি দিয়া প্ৰভু মোৰে ।
বিলম্ব নকৰি ৰাম দিয়োক সত্বৰে ॥
মৃদঙ্গ ধৰিয়া পাছে দেববাদ্য বাইলা ।
নাৰদি খুমুছি উস্কি সবে শব্দ ভৈলা ॥
ঢোল খোল খুঞ্জুৰি গোমুখ বাৰে তাত ।
বাৰে যুত কৰি আনো বাদ্য অসংখ্যাত ॥
ৰাম তাল কৰতাল বীনা যে দোতাৰা ।
উথালয় সবে বাদ্য যেন অপেস্বৰা ॥
দেখিয়া ৰাঘৱ অতি আনন্দিত ভৈলা ।
এহি স্থানে দ্বিজ থাকা শ্ৰীৰামে বুলিলা ॥
ইসব বিদ্যাত মোৰ কিছু কাম নাই ।
আছে শিশু দুটি তাঙ্ক শিখাও ইঠাই ॥
এহি বুলি দিব্য এক ঘৰ সজাই দিলা ।
প্ৰবাল মানিকে ঘৰ জ্যোতিৰ্ম্ময় ভৈলা ।
তহিতে বিপ্ৰক বাসা দিলা ৰঘুপতি ।
লৱকুশ দুইকো দিলা আনন্দিত মতি ॥
কপট ব্ৰাহ্মণে শিক্ষা দিয়ে দুই ভাই ।
নাগৰ ছলনা বুজিবাৰ কেহোঁ নাই ।
ৰাম সঙ্গে দুই শিশু ভোজন কৰয় ।
দুই শিশু সঙ্গে ৰাম শুতিয়া থাকয় ।

ধনুশৰ বাণ্ডা যে শিখয় সমস্তয় ।
বিপ্ৰৰ লগত এক প্ৰহৰ থাকয় ॥
এক মাস গৈলা দুষ্টে চল নাপাৱয় ।
মনে গুনি গাথি একো নপাস্ত উপায় ॥
কপটে দুইকো পাছে কহিলা বুজায় ।
আজি সুভুঞ্জিবা অন্ন তোৰা দুই ভাই ॥
আমাসাৰ সঙ্গে অন্ন খাইবা দুয়ো জন ।
নব এক বিত্তা দিবো ৰামৰ নন্দন ॥
শুনি দুই ভাই ছাত্ৰ শালে ৰহি আছে ।
ৰাঘৱৰ আজ্ঞায়ে লক্ষ্মণ গৈলা পাছে ॥
উঠিয়ো সত্বৰে বাপু তোৰা দুই ভাই ।
ভোজন কৰিবে দাদা আছে বাট চাই ॥
লবকুশ বোলে শুৰা বিপ্ৰৰ সম্মত ।
সুভুঞ্জিবো অন্ন আজি পিতৃৰ লগত ॥
নব এক বিত্তা পাঠ দিবো আমাসাৰ ।
এই স্থানে অন্ন খাইতে লাগে আমাসাৰ ।
পিতৃ সমে চাৰি ভাই কৰিয়ো ভোজন ।
ৰামত বিনয় কৰি কহয় লক্ষ্মণ ॥
পাছে চাৰিজন ভায়ে ভোজন কৰয় ।
মায়া কৰি লৱকুশে নিলা দুৰাশয় ॥
বাহিৰ কৰিয়া পাছে কোলে কৰি লৈলা ।
দুষ্ট নাগমায়া কোনোজনে নেদেখিলা ॥
সীতাৰ আগত আনি দিলা ততিক্ষণ ।
কোলে কৰি পুত্ৰ দুইকো কৰিলা চুম্বন ॥
ইতো কথা এহিমানে থাকোক সম্প্ৰতি ।
ৰাঘৱৰ ঐত কেনে মিলিলা দুৰ্গতি ॥

অভ্যন্তৰ হন্তে আসি জিজ্ঞাসা কৰিলা।
দ্বিজৰ গৃহত লৱকুশক নপাইলা
আপুনি গৈলন্ত প্ৰভু সেহি ছাত্ৰশালে।
নাহি পুত্ৰ নাহিদ্বিজ জঞ্জাল মিলিলা।
কৈক গৈলা পুত্ৰ মোৰ ভয়াই লক্ষ্মণ।
ডাক দি পৰিলা ঢলি হৈয়া অচেতন।
লৰ দিয়া লক্ষ্মণে ধৰিলা আঙ্কোৱালী।
নাহিকে চেতনা ৰামচন্দ্ৰ বনমালী॥
ভৰত শত্ৰুঘ্ন দুয়ো পাৰত পৰিলা
কৌশল্যা সুমিত্ৰা দুই ক্ৰন্দন জুৰিলা॥
অযোধ্যা নগৰে প্ৰজা আছে যত মান।
পশুপক্ষীগণ কাৰো নাহি পৰিত্ৰাণ॥
সুমিত্ৰা কৌশল্যা দেখে নাতি নাহি আৰ।
হৃদয়ত মুঠি হানি কান্দিলা বিস্তাৰ॥
শুনা সভাসদ পদ পঞ্চাণন ভণে।
ৰামৰ চৰণ সেৱি হৰি বোলা ঘনে।

লেচাৰী

কৌশল্যা বোলয় বাপুৰাম ঃ কৈক যাইবো কিবা কৰোঁ কাম ঃ
স্বামী পাসৰিলোঁ ঃ চাৰি পদ্মফুল পাই।
বংশৰ ভিতৰে যাক পাইলোঁ ঃ লৱকুশ নাতি হেৰুৱাইলোঁ ঃ
নিয়া মোক মাৰি শীঘ্ৰ কৰি যমৰাই।
থাকিবো কাহাৰ মুখচাই ঃ বাপুৰাম চন্দ্ৰ ৰঘুৰাই ঃ
মই অভাগিনী কতেক ভুঞ্জো নিকাৰ।
কোনে হৰি নিলা মোৰ নাতি যাইবে পাপীসিটো অধোগতি
শ্ৰীৰামৰ হাতে মৰিবিহি দুৰাচাৰ॥

লৱকুশ দুইকো নিলা হৰি বিপ্ৰৰূপ আছিলিহি ধৰি ঃ
সন্তৰূপ ধৰি আমাক দুষ্টে বঞ্চিলি ॥
হৈবে তোৰ আজি বজ্ৰপাত অগ্নি দিলি আমাসাৰ গাত ঃ
কোন অপৰাধে আমাক দুষ্টে বুৰালি ।
দুই গুটি নাতি সুকুমাৰ শোভে যেন মুকুতাৰ হাৰ ঃ
যেন পূৰ্ণ শশী অতিশয় প্ৰকাশয় ।
কোনে গুচাইবেক ইটো তাপ ঃ উঠিয়োক ৰামচন্দ্ৰ বাপ ঃ
শোক পৰিহৰি সত্বৰে যায়ো বাৰৰ ॥
আসিছে সমস্ত ঋষিগণ ঃ কিয় নেদা ৰাম সমিধান ঃ
বশিষ্ঠ প্ৰমুখ্যে আসি আছে ঋষিগণ ।
সৱে নগৰৰ নৰনাৰী ঃ কান্দে সবে দীৰ্ঘৰাও কাঢ়ি ঃ
পশু পক্ষী সৱে কৰিবে লৈলা ক্ৰন্দন ।

খণ্ড লেচাৰী

চেতন লভিয়া ভৰত লক্ষ্মণ শত্ৰুঘ্ন
ৰামৰ পাৱত পৰি আছে তিনিজন ।
লক্ষ্মণ বদতি ৰঘুপতি : তুমি গতি ঃ
সৱে জগতৰ আত্মাৰূপী নাৰায়ণ ॥
তুমি পূৰ্ণ ব্ৰহ্ম ভগবন্ত ঃ মহামন্ত ঃ
লক্ষীৰ নায়ক ভকত বৎসল হৰি ।
মোক চাই দাদা সুস্থ হৱা আজ্ঞা কৰা ঃ
জগত কাৰণ তযু পদে কৰোঁ সেৱ ॥
জগতক কৰা প্ৰতি পাল : মহাকাল ঃ
মোৰ কালৰূপী সংসাৰ ভয় তাৰণ ।
লৱকুশ দুই তযু অংশ ঃ কেন ধ্বংস ঃ
হৰিবে তাহাঙ্ক নপাৰয় একোজন ॥

বৈকুণ্ঠ আকাশ মহী মানঃ আন আনঃ
তোমাৰ কৃপাত বিচাৰিবো সাৰেসাৰ ।
আমি আছোঁ তথু তিনি ভাইঃ এহি ঠাইঃ
সুগ্রীব অঙ্গদ মহাবীৰ বলি আৰ ।
পবন তনয় হনুমানঃ বিভীষণ ঃ
ৰাক্ষসৰ ৰাজা প্রধান তান প্রভাব ।
উঠা উঠা প্রভু চক্র পাণিঃ মহামানীঃ
ঋষিগণ মানে আসিআছে তথু ঠাই ।
সুস্থ নাহি ৰাম তথাপিতোঃ দেখি সিটোঃ
ঋষিগণে বেদধ্বনি শুনাইলেক ।
সবে কমণ্ডলু ধৰি হাতেঃ দিয়া মাথেঃ
সুশীতল জল দিয়া কৈলা অভিষেক ॥

পদ

সুশীতল জল পায়া ৰাঘব বসিলা ।
মহাক্রোধে চকু পকাই চতুর্দ্দিশি চাইলা ॥
কৈত ধনুর্ব্বান লখাই দিয়া মোৰ হাতে ।
শুনিয়া লক্ষ্মণে ধনু যোগাইলা আগতে ॥
ঘোৰ বজ্রময় ধনু ধৰি ৰঘুপতি ।
আপুনিসে দিব্য শৰ জুৰিলা তহিতি ॥
মহাধূম্র অগনি জ্বলিয়া উঠন্তে ।
পাছে ৰাম চন্দ্রে ধনুশৰ ধৰিলন্তে ॥
শৰৰশ্মি ঋষিগণে দেখি মহাভয় ।
সসাগৰ মহী মেৰু মন্দৰ কম্পায় ॥
ব্রহ্মা বিষ্ণু মহেশ্বৰ স্থান কম্পি গৈলা ।
দেবৰ ভুবনে ৰৰ অথন্তৰ ভৈলা ॥

বাসুকীৰ ফণা লৰে কৰে থৰবৰ ।
অনন্তৰ ফণা লৰি কৰে থৰবৰ ॥
পৰম অগাধ মৎস্য কচ্ছপ সাগৰ ।
ঢেউ লাগি তীৰত পৰিলা নিৰন্তৰ ॥
সবে বোলে মিলিলন্ত দুর্ঘোৰ প্ৰলয় ।
আকাশৰ তাৰাগণ খসিয়া পৰয় ॥
ধনুখান জুৰি ৰামে আক্ৰান্ত কৰয় ।
বোলে সসাগৰ আজি দহিবো নিশ্চয় ॥
দেবতা পিশাচ পশু পিপৰা মাৰিবো ।
লবকুশ মোৰ দুই পুত্ৰ নামাৰিবো ॥
ভৰত লক্ষ্মণ শত্ৰুঘন তিনি ভাই ।
ঋষিগণ সমে অন্তৰিয়া আছে চাই ॥
মহাভয়ে ঋষিগণ ওচৰে নাযাই ।
লক্ষ্মণে বোলয় ত্ৰিজগত নাশ হয় ॥
হনুক সন্মুখে কৰি কিছু আগে যাই ।
চৰণে নমিয়া বোলে শুনা ৰঘুৰায় ॥
আপুনি স্ৰজিলা প্ৰভূ সমস্তে সংসাৰ ।
কেনমতে দাদা তুমি কৰা চাৰখাৰ ॥
হনুমন্ত বীৰে পাছে প্ৰনাম কৰিলা ।
প্ৰাণী সবাহক তুমি আগে যে স্ৰজিলা ॥
সংসাৰ নষ্ট প্ৰভূ কৰা অকাৰণ ।
আজ্ঞা কৰা আনি দিব তোমাৰ নন্দন ॥
ধনু এৰি ৰামদেৱ সিংহাসনে বসি ।
আসন দিয়াইলা বসিলেক সবে ঋষি ॥
বসিয়া বোলয় সবে যাক বিচাৰিয়া ।
আজ্ঞা কৰি বিদায় দিয়া সত্বৰ কৰিয়া ॥

শুনি ৰামে লক্ষ্মণক বুলিয়া মাতিলা ।
সুগ্ৰীব অঙ্গদে বিভীষণ চলি গৈলা ॥
কৈত আছা বাপু তুমি পবন তনয় ।
কৃতাঞ্জলি কৰি হনুমন্তয়ে কহয় ॥
পূবে যায়ো ভৰত সোদৰ মোৰ ভাই ।
জাম্বুৱন্ত বীৰ সেনা চলোক সদাই ॥
উত্তৰত শত্ৰুঘ্ন সুগ্ৰীব লগত ।
অসংখ্যাত সেনাগণ তাহাৰ লগত ॥
দক্ষিণত বালিপুত্ৰ অঙ্গদ চলোক ।
পশ্চিমক বিভীষণ ৰাজা চলিয়োক ॥
আকাশ পাতাল স্বৰ্গ আদি আছে যত ।
সমস্ত বিচাৰি কৰিয়োক বিত বিত ॥
মোৰ পুত্ৰ চুৰি কৰি নিছে যিটো জন ।
শুনা বাপু হনুমান ভয়াই লক্ষ্মণ ॥
সাতস্বৰ্গ বৰিষ পাতাল আছে মানে ।
দ্বীপলোক বিচাৰি আসিবি স্থানে স্থানে ॥
অনন্ত শয্যাত যাই বিচাৰি চাহিবি ।
তনয়ৰ চোৰ বেঢ়ি সবংশে মাৰিবি ॥
এহিমতে ৰামচন্দ্ৰে সবাকো পাঠিলা ।
প্ৰজাৰ ভিতৰত সুৰাসুৰ কম্পি গৈলা ॥
প্ৰণমি ৰামক সবে গৈলা স্থানে স্থানে ।
আত অনন্তৰে কথা ভৈলা যে পাতালে ॥
লবকুশ তনয়ক পাই সীতাসতী ।
তোমাসাক ছাৰি মই আছোঁ কাৰ ভিতি ॥
শিশুদুই বোলে মাও আমাৰ বিপত্তি ।
ক্ষুধাত নাপাওঁ খাইবে থাকো আধাপেটী ॥

নোখোজোহো কিছু কাকো থাকো বাট চাই ।
যদি মন্দ বোলে আমাসাৰ মাতৃ নাই ॥
মলিন বসন পিন্ধি থাকোঁ দুই ভাই ।
পিতৃ বোলে ভাল বস্ত্র পিন্ধিয়ো বোপাই ॥
বস্ত্র অলঙ্কাৰ পিন্ধো আৰু হেমহাৰ ।
মাই নাই পুত্রৰ অমৃত বিষ তাৰ ॥
বাপ মৰি যাই যদি সামান্য জনৰ ।
ভিক্ষা কৰি আনি মাৱে পোষয় মাতৰ ॥
নাৰায়ণ পুত্র হোৱে ৰাজাৰ তনয় ।
মাও নাই কয় যদি মৰিবে নিশ্চয় ॥
শুনিয়া শিশুৰ দুখ সীতা ৰাজেশ্বৰী ।
চক্ষুৰ লোতক সব পৰে সৰসৰী ॥
সীতা বোলে শুনা বাপু মোহোৰ বচন ।
তোমাসাক মাৰিবে ৰামৰ ভৈলা মন ॥
গৰ্ভেসমে ৰামে মোক বনে পঠাইলা ।
সিংহ বাঘে খাব বুলি আনন্দ কৰিলা ॥
তথাত কৃষ্ণৰ কৃপা বিনা দোষ জানি ।
বাল্মিকি ঘৰত স্থান দিলা তিনি প্রাণী ॥
নচাবিয়া আৰু বাৰ নিলা অযোধ্যাক ।
ধৰি নিয়া কাটিবাক চাহিলা আমাক ॥
কি কহিবো তন্তু পিতৃ যমেৰ সমান ।
কি কাৰণে তাঙ্ক হৰি বুলি কৰে মান ॥
নির্দ্দয় শৰীৰ ৰাম ৰাক্ষস পৰাই ।
কোন ঠানে ভাৰ্য্যা পুত্রৰ হেনয় বিলাই ॥
লবকুশে শুনি হেন মাৱৰ বচন ।
আমাৰ পিতৃক নিন্দা কৰা কি কাৰণ ॥

গুরু পিতৃ নিন্দাত চাৰিবে লাগে প্রাণ ।
মোৰ পিতৃ নাৰায়ণ জগত প্রধান ॥
তথাপি নিন্দস ৰাম ৰব অগিয়ান ।
ভূত ভবিষ্যত মায়া জানে সর্ব্বজ্ঞান ॥
শৰীৰ নসহে ছুই ৰামৰ নন্দন ।
সীতাক সম্বোধি ছুই বুলিলা বচন ॥
শুনামাও পিতৃক নিন্দিলা বাৰে বাৰ ।
মাতামহী বসুমতী শুনা সাৰে সাৰ ॥
তোমাৰ জীয়াইক কোনমতে বোলো ভাল ।
পিতৃত নাহিক দোষ মাতৃ যমকাল ॥
বনবাসে গৈলা মাই ৰামৰ লগত ।
সুবুদ্ধয় মায়া কাৰো কিঞ্চিতো সম্মত ॥
মাৰুচ ৰাক্ষসে তৈতে মায়া দৰশাইলা ।
কোনমতে মাই তুমি তাতে ভোল গৈলা ॥
ভকত বৎসল প্রভু ঈশ্বৰ মুৰাৰী ।
মৃগছাল লাগে বুলি পাতিলা গাউৰী ॥
তোমাক দয়ায়ে পিতৃ মৃগ খেদি গৈলা ।
তোমাক ৰাখিবে লক্ষ্মণক আজ্ঞা দিলা ॥
কণিষ্ঠ পিতৃক পাছে ৰচন প্রহাৰে ।
পিতৃৰ নিকটে তুমি পঠাইলা সত্বৰে ॥
সাবধানে ধনু আগে তিনি ৰেখা দিলা ।
নামানিলা তাঙ্ক মাও ৰাৱণে হৰিলা ॥
সেহি বেলা যত ছুখ ভৈলা ৰাঘৱৰ ।
কতেক কহিবো তাঙ্ক কত অথন্তৰ ॥
পাছে ছুষ্ট ৰাৱণক সবংশে মাৰিলা ।
তোমাক উদ্ধাৰি ৰাম অযোধ্যাক আইলা ॥

তাতো মুণ্ডচিল মাও বন হাবিলাষ ।
সপোনব কথা কই তেজিলা নিশ্বাস ॥
এতেক তোমাক পুন্ন বনক পাঠাইলা ।
বথে তুলি নিয়া বুলি আজ্ঞা কবি দিলা ॥
পাছে বনহন্তে তুমি কিসক নাসিলা ।
মহাকোপে বাল্মিকিব আশ্রমে বহিলা ॥
আমাসাক উপজাই দুখ পাইলা বব ।
কোমল শবীব আমি বাজাব কুমাব ॥
খবি লুবি আনি খাওঁ আমি দুই প্রাণী ।
গীত গাই ভিক্ষা কবি মাগি খাওঁ আমি ॥
পাছে বামচন্দ্রে আমাসাক চিনি পাই ।
বাখিলেক বোলে বাপু থাকা এহি ঠাই ॥
বোলে কোন থানে আছে সীতা প্রাণেশ্ববী ।
আনি দিবা পাবে কোনে কহা শীঘ্র কবি ॥
পাছে তুমি কোপে আসি পশিলা পাতাল ।
তোমাব শোকত বাম আতি বিয়াকুল ॥
সপনে সচিতে * বাম তোমাক লাগিয়া ।
পিতামহী সবে কান্দে আবাও পাবিয়া ॥
যেবে আমাসাক আনিলাহা চুবি কবি ।
আমাসাব শোকে পিতৃ মবিবেক পুবি ॥
তেবে পিতৃব দোষে পাইবে তোমাক ।
তোমাব সকল দোষে পাইবে বাঘবক ॥
শুনামাও বেদ শাস্ত্র চাহা বিচাবিয়া ।
গুৰু পিতৃ মাতৃ স্বামী দোষক দেখিয়া ॥

---

*সচিতে = সচেতনে

নাপায় ধৰিবে চিত্ত শাস্ত্ৰৰ নিৰ্ণয় ।
মাতামহী বসুন্ধৰী জানিবা নিশ্চয় ।
কিমতে ৰাখিবা আমাসক ইটো স্থান ।
হনুমন্তে সমস্তকে কৰিবো নিৰ্য্যাণ ॥
তনয়ৰ বচন শুনিয়া সীতা সতী ।
নিৰ্দ্দয় ৰাঘব জানো তাহাৰ সন্ততি ॥
পিতৃ দোষ নাই যত দোষ মোতে পাইলি ।
অযোধ্যাক আসি বাপু এহিসে শিকিলি ॥
যিটো ফল সিটো গুটি গাছে হোৱে জাত ।
ৰাঘবৰ সুত তুমি জানিলোঁ সাক্ষাত ॥
বসুমতী বোলে বাপু নাতি সুকুমাৰ ।
হনুমন্ত বীৰ তুমি বোলা বাৰে বাৰ ॥
বানৰ জাতিক বীৰ বুলি বখানস ।
কিমতে সহিবে মোৰ নাগৰ প্ৰতাপ ॥
বিষ বহ্নি পুৰি মাৰিবন্ত হনুমন্ত ।
ইথানে কিমতে সিটো হনু আসিবন্ত ॥
দেৱৰ শকতি নাই আসিবে ইথানে ।
শুনা বাপু আৰু কথা কহোঁ বিদ্যমানে ॥
মোহোৰ নাগৰ মায়া জানে কোন জন ।
ইন্দ্ৰৰ শকতি নাই আসে ইটো স্থান ॥
সুবুদ্ধিবে একো মায়া জানা সাৰে সাৰ ।
দেৱতা গন্ধৰ্ব্ব সবে নাপাই ওচৰ ॥
লবকুশে বোলে তুমি নাগক বখানা ।
ঈশ্বৰ ৰামৰ লীলা একোৱে নাজানা ॥
ব্ৰহ্মাণ্ডত বীৰ নাই হনুৰ সমান ।
পাতালৰ মৈৰাৱণ কৰিছে নিৰ্ব্যান ॥

ব্ৰহ্মা বিষ্ণু মহাদেৱে মায়া নজানয় ।
হেন হনুমন্ত বীৰ ত্ৰৈলোক্য বিজয় ॥
কিবাৰূপে আসিবে নাপাৰা বাধিবাৰ ।
নাগগন মাৰিবেক জানা সাৰে সাৰ ॥
পাছে বসুমতী নাগগনক বুলিলা ।
দেশত কহিবা বুলি আজ্ঞা কৰি দিলা ॥
ৰাঘৱৰ চোৰগন পাৱে যিটো জন ।
ধৰিয়া মাৰিব হেন বুলিলো বচন ॥
আৰু বোলো দ্বাৰখান কপাত মাৰিয়ো ।
আমাৰ থানক কোনো জন না আসিয়ো ॥
শুনি নাগগনে উঠি তেতিক্ষণে গৈলা ।
তিনি অযুতেক নাগে দ্বাৰ জপাইলা ॥
ভদ্ৰময় পুৰীখান কশটি শিলাৰ ।
সংযোগ লগাইলা পুৰী নাগ বহুতৰ ॥
শুনা সমাজিক জন এৰি আন কাম ।
ৰামৰ চৰণ সেবি বোলা ৰাম ৰাম ॥

দোলড়ি

আত অনন্তৰে শুনা সৱে নৰে ;
আসম্ভাৱ কথা কিক ।
ৰামৰ আদেশে গৈলা দশোদিশে ;
তাৰকথা শুনিয়োক ॥
ভৰতক আদি কৰি সেনাগন ;
বিচাৰি কৈত নাপাই ।
বীৰ শত্ৰুঘ্ন বালিৰ নন্দন ;
বিচাৰিলা ঠাই ঠাই ।
বিভীষণ ৰাই সুগ্ৰীৱ ৰাজাই ;
বিচাৰিলা স্থানে স্থানে ।

একোৰে প্ৰকাৰে উদ্দিশ নাপাই ;
সবেও ভৈলা নিস্ফল ॥
বীৰ লখমন পৱন নন্দন ;
সবে স্থানে বিচাৰিলা ।
বিচাৰি নপাই হনু যে লখাই ;
বিষ্ণু ভুবনক গৈলা ॥
বিষ্ণুৰে দেখিলা লক্ষ্মণ আসিলা ;
আসন দিলা বঢ়াই ।
আমাৰ স্থানক কি কাৰ্য্যে আসিলা
কহিয়ো বাপু লখাই ॥
লক্ষ্মণে বোলয় বিষ্ণু মহাৰাই ;
আমাৰ শুনা বিপত্তি ।
দাদা ৰাঘৱৰ দুগুটি তনয় ;
আতি সুকুমাৰ কান্তি ॥
সেহি শিশু দুইক নিলা চুৰি কৰি
বিচাৰি তাঙ্ক নাপাই ।
তোমাৰ স্থানক আসিলোহোঁ এবে
কহিয়ো মোত বুজাই ॥
বিষ্ণু বোলে বাণী শুনামহামানী ;
সত্বৰে চলা কৈলাস ।
মহাদেৱ স্থানে যায়ো বিদ্যমানে
কৰিবা তাঙ্ক আশ্বাস ॥
তেতিক্ষণে উঠি গৈলা কৈলাসক
লক্ষ্মণ বীৰ বৰাই ।
একতিলে পাছে মহেশ্বৰ স্থান :
পাইলন্ত গৈয়া লখাই ॥

দেখি ত্রিনয়ন আনন্দিত মন ;
লক্ষ্মণক ভেট পাই ।
আসনক দিলা কিসক আসিলা ;
কহিয়ো শীঘ্রে বুজাই ॥
মিনতি বচন কহয় লক্ষ্মণ ;
শুনা প্ৰভু ত্ৰিপুৰাৰী ।
শ্রীৰাম তনয় লব কুশ দুই ;
নাপালো কৈত বিচাৰি ॥
পাচে ত্রিলোচন আনন্দিত মন ;
কহে মৃদুতৰ বাণী ।
সবেও যজ্ঞৰ ৰামেহে ঈশ্বৰ ;
স্রজি আছা যত প্ৰাণী ॥
ভূত ভবিষ্যত জানন্ত আপুনি ;
আমি ৰাম আজ্ঞাকাৰী ।
ব্ৰহ্মালোকে যাই বিচাৰি চাহিও ;
কহিলোহোঁ নিষ্ট কৰি ॥
ব্ৰহ্মাৰ স্থানক গৈলা হনুমান ;
লগত বীৰ লক্ষ্মণ ।
দেখি ব্ৰহ্মাদেৱে উঠি আথে বেথে ;
বসিবে দিলা আসন ॥
বাপু লখমন আমাৰ ভুবন ;
মুখে আইলা কি কাৰণ ।
কহিয়ো সত্বৰ বিলম্ব নকৰ ;
সাথোঁ কথা প্ৰয়োজন ॥
লক্ষ্মণ কুমাৰ বোলে অনন্তৰে :
শুনাকথা ব্ৰহ্মাদেৱ ।

সমস্তে ব্ৰহ্মাণ্ড তোমাৰ স্ৰজন ;
আত্মাৰ নাহিকে কেৰ ॥
প্ৰভু ৰাঘবৰ দুই গুটি তনয় ;
লবকুশ নাম যাৰ ।
কৈৰ একজন আসি দুৰাচাৰ ;
যেন বিপ্ৰ সাৰে সাৰ ॥
নানা অসংখ্যাত বিদ্যা দৰাশইলা ;
দেখিলেক ৰঘুপতি ।
মোৰ শিশু দুইক শিখাও ব্ৰাহ্মণ :
এহি বুলি মহামতি ॥
পাচে সেহি দ্বিজ পৰম অৰিষ্ট
শিখাম বুলি ৰহিলা ।
কতোদ্দিন পাছে শাস্ত্ৰ শিকাই আছে
পাছে চুৰি কৰি নিলা ॥
নাহিক তনয় দুষ্ট নাহিকয়
দেখিলেক ৰঘুপতি ।
বিমুৰ্চ্চিত হুয়া পৰিল ঢলিয়া
চেতন নাহিক অতি ॥
পাছে ৰামচন্দ্ৰে মহা ক্ৰোধ কৰি
হাতে ধনুৰ্ব্বান ধৰি ।
সকল সংসাৰ কৰিবো সংহাৰ
ঘোৰ অগ্নিবান জুৰি ।
আমি আচোঁ চাই সৃষ্টি নষ্ট যাই
ক্ৰোধ দেখি ৰাঘৱৰ ।
থৰথৰ কৰি কাম্পে বসুন্ধৰী
নষ্ট হোৱে সুৰাসুৰ ॥

পাচে পাৰে পৰি নানা স্তুতি কৰি
মিনতি কৰিয়া আতি ।
ত্ৰৈলোক্য বিজয় তোমাৰ তনয়
মাৰিবে কাৰ শকতি ॥
পৱন তনয় কহে অভিনয়
শুনা ৰামচন্দ্ৰ হৰি ।
লবকুশ দুইকো বিচাৰি আনিবো
জানা প্ৰভু নিষ্ঠ কৰি ॥
পাছে সমস্তক কৈলা অভিষেক
গৈলোঁ দ্বীপ দ্বীপান্তৰ ।
কোনেস্থানে আছে নাপাওঁ বিচাৰি
কহা প্ৰভু সাৰে সাৰ ॥
শুনিয়া ব্ৰহ্মাৰ তনু জৰ্জ্জৰিত
ৰামৰ শুনিয়া কোপ ।
লব যে কুশক নপাইলে বিচাৰি
সৃষ্টিৰ হোৱে বিলোপ ।
এতেকতে মই বিমৰিষি চাওঁ
ৰাম পুত্ৰ আছে কত ॥
কটাক্ষ কৰিয়া চাৰিমুখে চাইলা
দেখি পাইলা আছে কত ।
লক্ষ্মণৰ আগে কহিলা কাহিনী
শুনিয়ো বীৰ লক্ষ্মণ ॥
সাত পাতালৰ তলত পাতাল
সিটো মহামায়া স্থান ॥
সেহিখনি দ্বীপ শুনিবা তাহাৰ
তাতে থাকে বসুমতী ।

সেহিতো থানত আছে বসুমতী
সীতাদেবী সমষিতি ॥
সীতাৰ নিমিত্তে নাগক পঠাই
মায়াকৰি থৈছে তৈত ।
দেৱতা গন্ধৰ্ব্ব যাইবাক নাপাৰে
সিটো স্থান অদ্ভুত ॥
কালকূট নাগ মায়া বিচক্ষণ
সিটো নিছে চুৰি কৰি ।
দেৱতা মনুষ্য পিশাচ. ৰাক্ষস
গৈলে সবে মৰে পুৰি ॥
তাহাঙ্ক পাইবাৰ বাট কহোঁ শুনা
সাত সমুদ্ৰক এৰি ।
পশ্চিমক লাগি যাইবাক লগিব
তেবে পাই সেই পুৰী ॥
সৰ্প যে বানৰ ই দুইতো পৰে
যাইবাৰ শকতি নাই ।
অসংখ্যাত মায়া জানিবাক লাগে
তেবে সেহি স্থান পায় ।
যাক নাগ সৰ্পে দংশে মহাদৰ্পে
অগনিতো নোপৰয় ।
সেহি ভুবনত নাহি অস্ত্ৰ মন্ত্ৰ
নাগবহ্নি নষ্ট হয় ॥
এতেকতে বাপ কহিলো সাক্ষাত
ৰামচন্দ্ৰ আগে কৰা ।
আমাৰ সম্মত ৰামৰ চৰণে
সবাহাঙ্ক নিবেদিবা ॥

তেতিক্ষণে বীৰ গৈলন্ত লক্ষ্মণ
সঙ্গে বীৰ হনুমান ।
দশদিশে গই সবাকো পঠাইলন্ত
ৰামক কৰি বন্দন ॥
দেখিয়া সবাক পুছিলা ৰাঘৱ
কহিয়ো বাৰ্ত্তা সত্বৰে ।
কোন কোন দিশে বিচাৰি ফুৰিলা
আছে সিতো কোন পুৰে ॥
আনে নমাতিলা লক্ষ্মণে কহিলা
শুনাদেৱ ৰঘুপতি ।
একোৱে স্থানত বিচাৰি নপাই
পাছে গৈলো ব্ৰহ্মাস্থিতি ॥
ব্ৰহ্মাৰে কহিলা ৰসাতল গিলা
নাগৰ সিটো নিবাসী ।
তাতে লৱ কুশ জানিবা আছয়
কৈলা ব্ৰহ্মা অল্প হাসি ॥
বসুমতী আগে কহিলা জানকী
লৱ কুশ আনি দিয়া ।
কালকূট নাগে মায়া শৰ জানে
চুৰি কৰি দিলা নিয়া ॥
সিটো দ্বীপলাগি কেহো যাইবেনৱে
বানৰ সৰ্প বিনাই ।
জলে লোকালোক জানাহা অনেক
আছন্ত সীতাৰ ঠাই ॥
দেখা নৰ-নাৰী ঈশ্বৰ মুৰাৰী
ৰামৰ কেন বিলাই ।

অৱতাৰ ধৰি   ৰাজ্য ভোগ কৰি
বিষয় কৰি আশ্রয় ॥
ঘোৰ মায়া জাল   পৰম জঞ্জাল
জানা সবে অকাৰণ
এৰি আন কাম   বোলা ৰাম ৰাম
ৰামৰ সেবি চৰণ ।

পদ

শুনি ৰামচন্দ্রে হেন বুলিলা বচন ।
আকাশ পাতালে কোনে কৰিব গমন ॥
এহিবুলি নিশ্বাস তেজন্ত ৰঘুপতি ।
পূৰ্ব্বে অপমান মোক দিছে বসুমতী ॥
ৰামৰ বিষাদ শোক শুনি বায়ুসুত ।
কৃতাঞ্জলি কৰি কথা কহিলা ৰামত ॥
আপুনি ঈশ্বৰ তুমি জগত কাৰণ ।
সমস্তে জগত তুমি কৰিছা সৃজন ॥
তথাপি কৰিতে পাৰা জগত সংহাৰ ।
দুষ্ট নাশিবাৰ হেতু ভৈলা অৱতাৰ ॥
আদেশ কৰিয়ো প্রভু চলিবো পাতাল ।
নাগমায়া যত আছে মোৰ মায়া কাল ॥
সবে মায়া দূৰ হৈবে প্রসাদে তোমাৰ ।
কি বিচিত্র সিতো মায়া কৰিবো সংহাৰ ॥
শুনিয়া ৰাঘবে পাছে আঙ্কোৱালী ধৰি ।
অবিলম্বে যাহা সাত সাগৰক তৰি ॥
বিষ বহ্নি অস্ত্র শস্ত্র আছে যত যত ।
তোমাৰ শৰীৰে কেহো নপাৰে লঙ্ঘিত ॥

---

*সিতো = সিটো   ॥ আঙ্কোৱালী — আঁকোৱালী

পাছে হনুমন্ত বীৰে ধৰি বহু কায় ।
ভৈলন্ত দাৰুণ সৰ্প ভৈল সেহি ঠাই ॥
শ্রীৰাম দেখিয়া পাছে মায়াৰ প্ৰভাৱ ।
সহস্রেক ফনা ভৈলা দেখি কম্পে গাৱ ॥
ফনা মেলি স্বৰ্গ মৰ্ত্ত্য পাতাল জুৰিলা ।
যেহেন প্ৰলয় কাল আসিয়া মিলিলা ॥
লাঙ্গ দাণ্ডি ৰৰ এক কোৰ মাৰিলেক ।
সিংহাসন হন্তে ৰাম চলি পৰিলেক ॥
সবে সভাখন সিটো শবদে লেঙ্গৰ ।
বাগৰি বাগৰি সবে পৰিলা আতৰ ॥
ঘোৰ বিষ বহ্নি নাসিকায়ে বহি যায় ।
ব্ৰহ্মা বিষ্ণু মহেশ্বৰ টান পাইলা গই ॥
অনন্তৰ ফনাত লাগিল বিষ জাল ।
জানিলেক ব্ৰহ্মা ৰামে মিলিলা জঞ্জাল ॥
ৰামে দেখে সমস্ত ব্ৰহ্মাণ্ড পুৰি যাই ।
ময়ো চেষ্টা পোৰা ভৈলো থাকো কোন ঠাই ॥
শুনা হনুমান সিটো মায়াক গুচাৱা ।
পাতাল পুৰক তুমি শীঘ্রে চলি যাৱা ॥
পবন তনয় সিটো মায়া সম্বৰিলা ।
শ্রীৰামৰ পাৱে যাই প্ৰণাম কৰিলা ॥
ৰামৰ চৰণ বুলি মাথে মৰচিলা ।
জাম্প দিয়া সাত গোট সমুদ্ৰ চেৰাইলা ॥
অন্ত জল সমুদ্ৰ তাহাৰ পাৰ নাই ।
পশ্চিমক লাগি চাৱে একো নেদেখয় ॥
প্ৰচণ্ড শবদে জল উথলি আছয় ।
দেখিবে মুৰাৰি মাত্ৰ দেখি ধুম্ৰময় ॥

সাত দ্বীপ আছে সেহি জল চতুৰ্পাশে ।
চন্দ্ৰ সূৰ্য্য কাৰো তাত নাহিকে প্ৰকাশে ॥
চক্ষুমুদি জল মাঝে বীৰে জাম্পদিলা ।
জল চাৰি বসুমতী পুৰে প্ৰৱেশিলা ॥
তেতিক্ষণে ধৰি বীৰে নাগৰ লক্ষণ ।
চলি গৈলা বসুমতী আছে যেহি স্থান ॥
বসুমতী নগৰৰ ওচৰক পাইলা ।
ভয়ঙ্কৰ কপি ৰূপ তেখনে ধৰিলা ॥
দেখি নাগগণে বোলে দূত ৰাঘৱৰ ।
বেৰি ধৰি মাৰো আক বিলম্ব নকৰ ॥
এহি বুলি কতো কতো নাগ বলি আৰ ।
কিমতে দংশিব ঘিণ লাগয আমাৰ ॥
মনুষ্যৰ কায়া ইতো* জাতিত বানৰ ।
তথাপি লাঙ্গুৰ চাট কৰোহোঁ প্ৰহাৰ ॥
এহি বুলি লাঙ্গ কোব মাৰিলেক যাই ।
কটাক্ষ নকৰে বহি আছে সেহি ঠাই ।
তিনি কোটি নাগে একেলগে কোব দিল ।
নাক মুখ মাংস চিণ্ডি খণ্ড খণ্ড ভৈলা ॥
পাছে খণ্ডে বেৰি সবে দংশিবাক লৈলা ।
বিষ বহ্নি আছে মানে সমস্তে ঢালিলা ॥
পাছে বীৰে আলাসতে ধৰি লাঙ্গ তুলি ।
সমস্তকে আটি ধৰি আনিলা সমূলি ॥
মৰো মৰো বুলি সবে আটস পাৰয় ।
নামাৰি এৰিলা ফিৰি আইলা যমালয় ॥

---

*ইতো = ইটো

ক্রোধে নাগগণে ফেট ধৰি খোট মাৰে ।
হনুবোলে মৰোঁ আজি হাতে আসন্থাৰে ॥
যেন বিষ লাগি হনু ঢলিয়া পৰিলা ।
ধৰণি মণ্ডল সবে কম্পি কম্পি গৈলা ॥
অচল পৰ্ব্বত যেন পৰিলা বানৰ ।
মহাৰঙ্গে নাগগণে পাৰিলা জোকাৰ ॥
সপুত্ৰ বান্ধৰে নাগ আছে ৰঙ্গকৰি ।
বসুমতী আগে সবে কহে পায়ে পৰি ॥
শুনা মাই বসুমতী কথা অদভুত ।
পৃথিবীৰ পৰা আইলা ৰাঘবৰ দূত ॥
একগোট বানৰ আসিলা এহি স্থান ।
নজানয় নাগ তাৰ মায়াৰ লক্ষণ ॥
শুনিয়োক বসুমতী আমাৰ বচন ।
শুদা জাঙ্গ গোট পৰি আছে সেহি স্থান ॥
বসুমতী বোলে শুনা সীতা লক্ষেশ্বৰী ।
আসিলা শ্ৰীৰাম দূত প্ৰাণে গৈলা মৰি ॥
এহি হনুমন্ত বীৰ পবন তনয় ।
আমাৰ ভুবনে আসি গৈলা যমালয় ॥
সীতা বোলে শুনা মায় বচন আমাৰ ।
হনুক বধিবে ইতো* কোন সুৰাসুৰ ॥
ঋষিবৰ দিয়া আছে অজয় অমৰ ।
ব্ৰহ্মা বিষ্ণু আদি কৰি রুদ্ৰ মহেশ্বৰ ॥
জগত কাৰণ ৰামচন্দ্ৰ স্বামীদেৱ ।
কোটি কোটি ব্ৰহ্মায়ে তাহাক কৰে সেৱ ॥

---

*ইতো=ইটো

হনুমন্ত মহাবীৰ জগত প্ৰখ্যাত ।
চিৰঞ্জীৱ বুলি আছে ৰামৰ সম্মত ॥
প্ৰভু ৰাম দাসী মই তাঙ্ক দিছো বৰ ।
এতেকে নাহিক মৃত্যু পবন সুতৰ ॥
শুনি বসুমতী পাছে হাসিবে লাগিলা ।
ভাৰত ৰখিযে জ'না ৰাঘৱৰ লীলা ॥
সমস্ত ব্ৰহ্মাণ্ড ৰাম স্ৰজিয়া আছয় ।
ব্ৰহ্মা বিষ্ণু মহেশ্বৰ আনো সমস্তয় ॥
আমাসাৰ ইটো দ্বীপ সাত দ্বীপ ছাৰি ।
মহামায়া স্ৰজি আছে অকণ্টক কৰি ॥
আত আছে যত জীৱ নাগগন মানে ।
ইহাৰ নাহিকে মৃত্যু শুনা সাৱধানে ॥
কোনো ভুৱনৰ লোক আসিবে নপাৰে ।
আৰ অধিকাৰী হৰি মুহি সাৰে সাৰে ॥
যত ৰামচন্দ্ৰ হৰি তাঙ্ক দিছে বৰ ॥
আমাৰ দ্বীপৰ সিটো নাপাৱে ওচৰ ।
যদি অপ্ৰমান উঠা তৈকে লাগি যাও ।
নাগসমস্তৰ কথা তেবে পতিয়াও ॥
এহি বুলি বসুমতী উঠি তেতিক্ষণ ।
সীতা লব কুশ সমে কৰিলা গমন ॥
দেখিলা সাক্ষাতে হনুমন্ত আছে পৰি ॥
দেখিয়া জানকী সুমৰয় ৰাম হৰি ।
বসুমতী বোলে মাৱ শুনা সীতাসতী ॥
নাগবিনা কোনে পাৰে ৰাপৰ শকতি ॥
কহিতো নেদেখো আমি ইমত বানৰ ।
অচল পৰ্ব্বত যেন গাৱ ভয়ঙ্কৰ ॥

শগুন শৃগাল গনে নাথায় কিকাৰণ ।
ভিগুাকাৰ হুয়া সিটো আছে কিকাৰণ ॥
উগুল থুগুল সীতা কৰে কিকাৰণ ।
এহি হনুমন্ত দেখা পৱন নন্দন ॥
অপমান কৰি সীতা নিশ্বাস তেজয় ।
বসুমতী বোলে কেনে দুৰ্গন্ধ গোন্ধায় ॥
আসা চলি যাওঁ আমি মন্দিৰে আমাৰ ।
দুৰ্গন্ধে আসয় বমি জানা সাবে সাৰ ॥
ভৈলা অকণ্টক সিটো মৰিলে বানৰ ॥
কোনে নিব লবকুশ তনয় আমাৰ ॥
লবকুশ দুই ভাই চাহিয়া আশ্ৰয় ।
কোনে মাৰিবাক পাৰে পৱন তনয় ॥
এহি বুলি বসুমতী সমে তিনিজন ।
অভ্যন্তৰে লাগি পুনু কৰিলা গমন ॥
বসুমতী গৈয়া পাছে আনন্দে বসিলা ।
লব কুশে আগে কথা কহিতে লাগিলা ॥
আসিবেক হনুমান আমাক নিবাৰ ।
নাগগন সবাকো মাৰিবে বুন্দামাৰ ॥
কহে দুই ভাই কথা ৰামৰ নন্দন ।
কতিপয় দিন চাহি থাকা বজমন ॥
আত অনন্তৰে আৰে যেন কথা ভৈলা ।
হনুৰ মায়াক কেহো জনে নাজানিলা ॥
মায়া বানৰৰ জন্দা গোট আছে পৰি ।
মায়া ৰূপ ধৰি নাগগন আছা হৰি ॥
বায়ুসুতে বুজিলন্ত সীতাৰ ইঙ্গিত ।
মোহোৰ কাৰণে মাও আকুলিত চিত ॥

এহি বুলি এক মায়া ধৰি তেতিক্ষণ ।
এক গুটি বৃদ্ধ বুড়ী আছে সেহিস্থান ॥
এক খানি দুহিতা তাহাৰ আছয় ।
স্বামীৰ ঘৰত গৈয়া আছে মহাশয় ॥
তাহাৰ স্বৰূপ ধৰি গৈলা হনুমান ।
সাক্ষাতে বুড়ীৰ জীয়া হৈলা তেতিক্ষণ ॥
ষোড়শ বৰিষ সিটো সুকোমল কায় ।
যাহাৰ কটাক্ষে মুনিগন মোহ যায় ।
এহিমতে সূৰ্য্য আসি ভৈলা অস্তগত ।
পশিলন্ত হনুমান বুড়ীৰ ঘৰত ॥
দেখি বুড়ী আথে বেথে কৰে ধৰি নিলা ।
নিশাকাল মাৱ তুমি কিসক আসিলা ॥
বিহিয়াছে শাস্ত্রে যেন নাৰীৰ লক্ষণ ।
যুবানাৰী একেশ্বৰে নকৰে গমন ॥
তাতে নিশা কালে তুমি আসিলা একালে ।
শুনি নিন্দিবেক মোক গ্ৰামৰ সকলে ॥
মায়াৰূপ হনুমন্তে কহে কষ্ট কৰি ।
শুনা মাৱ কেনে মই আছোহো নমৰি ।
কহিবাক লাজ লাগে তোমাৰ আগত ।
কিছুদিন ধৰি মোৰ হৈছে যেনমত ॥
কহিবোহো আজি মই লাজ পৰিহৰি ।
নামাতয় স্বামী মোক জানা সেহি ধৰি ॥
বেশ্যা নাৰী সঙ্গে অনুৰাগ হৈছে বৰ ।
ভাল কথা কৈলে মোৰ লাগয় জগৰ ॥
মোহোৰ আগত বেশ্যা সমে ৰঙ্গে থাকে ।
বেশ্যা যেই বোল বোলে কৰে তাইৰ বাক্যে ॥

সহিতে নাপাৰি মই বুলিলো উচিত ।
মাৰিবা খেদিতে যাই বেশ্যাৰ ইঙ্গিত ॥
তিনি চাৰি চৰ মোক মাৰিলেক গালে ।
এতেকতে মাৱ মই আসিলো তৎকালে ॥
শুনা মাৱ মোৰ ভৈলা যিটো অপমান ।
এক গুটি জিউৰ আৰে ভৈলা কেন টান ॥
থাকা মোৰ ঘৰে আই ৰাখিবে যুৱাই ।
কতো ধন বস্তু আই থৈয়াছো দমাই ॥
ছুহিতা বোলয় মাৱ সুবুলিবা আৰ ।
পূৰ্ব্বে মোক সেহি স্বামী দিছা সাৰে সাৰ ॥
পুৰুষ ভোমোৰা জাতি কিছু দোষ নাই ।
বেশ্যা দূৰ হৈব কেনে চিন্তিয়ো উপায় ॥
যোগেশ্বৰী বসুমতী আছে এহি স্থানে ।
পৃথিবী দিবেক বৰ জানিবা প্ৰমাণে ॥
শুনা মাৱ প্ৰত্যেকে তাহাৰ স্থানে যাই ।
মোৰ স্বামী ভাল বুলি প্ৰণামো সদাই ॥
এহি কথা মতে পাছে ৰজনী পোহাইলা ।
বসুমতী পাশে দুয়ো আনন্দে চলিলা ॥
বসুমতী বসি আছে ৰত্ন সিংহাসন ।
আছন্ত জানকী আৰু ৰামৰ নন্দন ॥
হনুমন্তে তাঙ্ক দেখি আনন্দিত মন ।
বসুমতী আগে যাই কৰিলা বন্দন ॥
অসংখ্যাত নাৰী গৈছে সেৱিবে তাহাঙ্ক ।
ধন পুত্ৰ যাক লাগে বোলে সেহি বাক ॥
স্বামীত বসতি হৈবে বোলে কতো জনী ।
হনুমন্তে নাপান্ত একোকে মনে গুণি ॥

স্বামীৰ কাৰ্য্যক মই পাৰোঁ সাধিবাৰ ।
মায় ভগবতী বৰ দিয়া সাৰে সাৰ ॥
এহি বুলি নাৰীগণ দণ্ডৱতে পৰি ।
মনোবাঞ্ছা সিদ্ধি হৌক বোলে যোগেশ্বৰী ॥
পবন তনয় বোলে দিলা মোক বৰ ।
জানকীক প্ৰনমিয়া ভৈলন্ত অন্তৰ ॥
লব কুশে এহি বুলি পাছে জিজ্ঞাসিলা ॥
শুনা মাতামহী তুমি কাক বৰ দিলা ।
হনুমন্তে বৰ লই গৈলা বাজ দুই ।
বুঢ়ীৰ দুহিতা সিটো কদাচিত নুই ॥
বসুমতী বোলে বুড়ীক আনিয়ো সত্বৰ ।
দ্বাৰ বাজ ভুই হনু ভৈলা ভয়ঙ্কৰ ॥
আকৃতি হস্তীৰ কায়া ভৈলন্ত বানৰ ।
স্বৰ্গ মৰ্ত্ত্য পাতাল ঢাকিয়া কলেবৰ ॥
লাঙ্গুৰ আধাৰি কৰি দ্বাৰত বসিলা ।
দেখি নাগগণ মানে চমক লাগিলা ॥
দশন চোবাই খণ্ডে চক্ষুক পকাই ।
শুনা দুষ্ট নাগ সবে এড়িয়ো বৰাই ॥
বসুমতী আগে গৈয়া শীঘ্ৰে দিয়ো জান ।
লৱ কুশ জানকীক মাথে কৰি আন ॥
শ্ৰীৰামৰ আজ্ঞা বানী শিৰোগত কৰি ।
অৱজ্ঞা কৰিলে যাইবি যমৰ নগৰী ॥
ক্ৰোধে দ্বাৰপালে বোলে শুনিয়ো বানৰ ।
মৰিবাক লাগি কিঞ্চিতেক নাহি ডৰ ॥
অধম বানৰ তই জাতি অনাচাৰ ।
মোত দোষ নাহি কৰিবোহো চাৰখাৰ ॥

মৰিবেক লাগি তোৰ কট কটাই যাব ।
শুনি বায়ুসুতে বোলে আৰে দুৰাচাৰ ॥
শুনি দ্বাৰি নাগে বোলে ফনাক উচ্চাই ।
খণ্ডে ফোকাৰয় যেন বতাহ সোমায় ॥
বিষ বহ্নি বাজ হোৱে নাক মুখ উৰি ।
বোলে পাপী বানৰ মৰিবি এই পুৰি ॥
হনুবোলে নাগতই কৰহ ফোকাৰ ।
লাঙ্গুৰ যতেক লোম পোৰহ আমাৰ ॥
পাছে নাগে লাঙ্গ তুলি ক্রোধে কোব দিলা ।
বসি আছে কপিৰাজ লোম নলৰিলা ॥
আৰু মাৰ পাপী তোৰ বুজো মুনিসাই ।
কুৰিগোট মুখে তেবে দংশিলা দুনাই ॥
লাঙ্গ পকাই বসি আছে বায়ুৰ তনয় ।
বিষকোপে কিঞ্চিতেক একো নলজ্বয় ॥
হনুবোলে শুনা দ্বাৰি নাগ দুষ্ট মতি ॥
আউৰ কিবা আছে তোৰ কহিয়ো সম্প্রতি ।
কিবা মায়া তোৰ দুষ্ট আজি দৰাশয়ো ॥
নজানহ দুষ্ট যম কাৰণে পঠাওঁ ।
তিনি অযুতেক সেনা দ্বাৰত থাকয় ।
ৰৰ খণ্ডে ধাই খেদি আসে সমস্তয় ॥
চলিছ পঞ্চাছ কতো ফেনা তুলিচাই ।
মহা খণ্ডে দংশে সিটো দশন চোবাই ॥
ক্রোধ কৰি খোট মাৰে লাঙ্গ তুলি ধৰে ।
হনুমন্ত বীৰে তাক কটাক্ষ নকৰে ॥
মিছা ভৈলা বিষ বহ্নি ইহাৰ উপৰে ।
পাছে ভয়ে নাগগণে কম্পে থৰ থৰে ॥

পাছে এক উপায় তুলিলা কপিবৰ ।
থেক কৰি থুই দিলা নাগৰ উপৰ ॥
গ্ৰাম নগৰত যেন পৰে বৃষ্টি জল ।
নাকৰ সিয়ানে থুই নাগ গৈলা তল ॥
উঁশাস না:পাই নাগ সাথুৰি ফুৰয় ।
জলকে জলকে থুই গৰ্ভতে পশয় ॥
যেহেন প্ৰচণ্ড অগ্নি পুৰি দহি যাই ।
তিনি অযুতেক নাগ মৰে সেহি ঠাই ॥
পাছে বসুমতী আগে কহিলা বৃত্তান্ত ।
আসি আছে এক গোট বীৰ হনুমন্ত ॥
তুম্বৰ নাগমায়া নাহি এক জন ।
সবাকো নাসিলা সিটো পৰম দুৰ্জ্জন ॥
বসুমতী বোলে তাক কিবা চাস আৰ ।
যৈত আছে বৰ নাগ কৰিয়ো হুঙ্কাৰ ॥
মাৰিয়োক বানৰক বিলম্ব নকৰি ।
শুনি বৰ নাগগণ আসিলা লৰৰি ॥
যাঠি যাঠি ফনা কতো কতো তেঞাচাৰ ।
সাত অক্ষৌহিনী ফনা দিলেক জোকাৰ ॥
দেখিলেক হনু চতুৰ্দ্দিকে ঢাকি আসে ।
যেহেন ফৰিং অগনিত পুৰি যাসে ॥
ফেট তুলি থিয় হুয়া কঙ্কালে সমান ।
যেন মেৰু গিৰি খসি পৰে স্থানে স্থান ॥
যেহি যৈতে পাৰে কোপে কামোৰে তহিত ।
ৰামৰ প্ৰমাদে বিষ নালাগে কিঞ্চিত ॥
পাছে অন্ন কৰি লাজ কিছু মেলি দিলা ।
চপাই আনি সবাকো মাৰ্গৰ তলে নিলা ॥

তাহাৰ উপৰে বহি লাঙ্গুৰ বাৰি দিলা ।
পোতক চাৰিয়া পাছে বিপক্ষ মৰিলা ॥
তাতে তমোময় ঘোৰ অগনি উঠিলা ।
যেহেন শুকান তৃণ নাগছন ভৈলা ॥
সাত অক্ষৌহিনী সেনা পুৰি ভৈলা চাই ।
ধৃতৰাষ্ট্ৰ তক্ষক তেৱে আসিলন্ত ধাই ॥
নাগুলৰ ঈহ হেন দশন দুৰ্ব্বাৰ ।
দুই শত ফনা মনি শোভে জাতিস্কাৰ ॥
মহাক্ৰোধে বোলে ওৰে অবোধ বানৰ ।
লগাইলি জঞ্জাল আমাসাক নাহি ডৰ ॥
তোৰ আগে যমকাল আছয় নাচিয়া ।
কি কাৰণে নাগসব পেলাইলি মাৰিয়া ॥
হনুমন্তে বোলে মোৰ কিছু দোষ নাই ।
লব কুশ জানকীক আনিয়ো সতাই ॥
নানা যদি মৰি যাইবি তোৰা দুইজন ।
পাছে যমৰাজক দুষিবি অকাৰণ ॥
শুনি ধৃতৰাষ্ট্ৰ তক্ষকৰ খণ্ড ভৈলা ।
কামুৰিয়া এক নাও মাংসক চিন্দিলা ॥
ধমধম কৰি বিষ বহে নাসিকাৰ ।
ভৈলা চেঞ্চা পোৰা হনুমানৰ শৰীৰ ॥
ৰত্নময় অলজ্জা ডাঙ্গ আছয় দ্বাৰে পৰি ।
তিনি অযুতেক নাগগন দূৰ কৰি ॥
পাছে সেহি ডাঙ্গ তুলি ধৰি কপিৰাজ ।
কোৰ মাৰি দুহন্তৰ জীউ কৈলা বাজ ॥
ধৃতৰাষ্ট্ৰ তক্ষক মাৰিলা কোব ৰাৰি ।
পুণ্ডৰীক নাগ গৈলা পাছে আগবাঢ়ি ॥

ফনা তুলি খেদি আইলা দুৰ্ব্বাৰ দাৰুণ ।
লাঞ্জ মেৰাই হনুক ধৰিলা ততিক্ষণ ॥
বায়ুসুতে হাত মেলি গলত ধৰিলা ।
আছাৰ মাৰিয়া তাক দূৰত ক্ষেপিলা ॥
পুণ্ডৰীক পৰি আছে চূৰ্ণীকৃত হৈলা ।
কাঞ্চকুট নামে নাগ আগবাঢ়ি গৈলা ॥
কাঞ্চকুট নাগে বোলে শুৰে হনুমান ।
অযোধ্যা নগৰে নাপাইলো পৰমাণ ॥
কোন কেন বীৰ নপাইলোঁ জিজ্ঞাসিয়া ।
অযোধ্যা নগৰে নাপাইলোহো বিচাৰিয়া ॥
মায়া কৰি লবকুশক আনিলো নিশ্চয় ।
নপাইলোহো তোহোঙ্ক মাৰিতে সেহি ঠাই ॥
আপুনি আসিলি তই মৰিবে ইঠানে ।
আমাৰ নাগক তই কৰিলি নিৰ্য্যাণে ॥
মায়াবনে নাগগন জীৱে সমস্তয় ।
তোহোৰ জীয়াৰ একো নেদেখো উপায় ॥
অনন্তৰে হনু বোলে নাগ দুষ্ট বৰ ।
তই পাপী যেবে গৈলি অযোধ্যা নগৰ ॥
আগে যাতো মই গৈলো কিষ্কিন্ধ্যা নগৰী ।
এতেকতে তই পাপী গৈলি পৰিহৰি ॥
তোহোক বিচাৰি আসি আছো এহি স্থান ।
তোক পাই যেহেন অমৃত দিলি দান ॥
নপলাইবি পাপী যত আছে মায়াকৰ ।
মায়া চুৰি কৰি থৈবো যমৰ নগৰ ॥
শুনি কাঞ্চ বোলে বেটা লুণ্ডিয়া বানৰ ।
ফলমূল খাই ফুৰা অৰণ্য ভিতৰ ॥

এহি বুলি কাণ্ডে এক মায়া দৰশাইলা ।
আম জাম কদলি পনিয়াল সবজিল্য ॥
অসংখ্য শ্রজিলা ফল পৰম সুন্দৰ ।
দেখিলন্ত হনুমন্তে মহিমা নাগৰ ॥
নাগমায়া জানি বীৰে ফুক মাৰি দিলা ।
সবে ফলমূল মানে পুৰি ভস্ম হৈলা ॥
মায়ায়ে শ্রজিলা এক গোট সৰোবৰ ।
জলজন্তু সবে ৰৈলা তাহাৰ উপৰ ॥
একগল জল ভৈলা হনুৰ শৰীৰ ।
সেহি জলে বান্তি কৰিলেক মহাবীৰ ॥
খন্দজল ভৰি ভৈলা পৰ্ব্বত সমান ॥
জল শুচি পূৰ্ব্ববত ভৈলা সেহি স্থান ।
তাক নিবাৰিবে দেখি নাগ দুৰাশয় ॥
সিংহ হস্তী বাঘ ঘোঙ ভৈল বিপৰ্য্যয় ।
পবন সুতক কোপে খেদি খেদি যাই ॥
দেখি হনুমন্ত বীৰে তাক আছে চাই ।
অসংখ্যাত ৰাক্ষস মিলিলা সেহি ঠাই ॥
সিংহ হস্তী ব্যাঘ্রগন খেদি খেদি খাই ।
টুকাইলেক মায়া যত বিচাৰি নাপাই ॥
কাণ্ডকুটে লৰদিলা পাচক নচাই ।
বসুমতী আগে যাই প্রণাম কৰিলা ॥
শুনা মায় নাগপুৰে অথন্তৰ ভৈলা ।
শুনা সভাসদ লোক মহিমা নাগৰ ॥
হনুমন্তে নাগ কৰিলেক বুজামান ।
হৰি ভকতৰ দেখা কেনয় ব্যৱস্থা ।
ৰাম হৰি বোলা সবে এৰি অন্য কথা ॥

দোলৰি

শুনি বসুমতী কহিবে লাগিলা
বাসুকি আসোক ধাই ।
দুৰ্জ্জন বানৰ নিয়ো যমঘৰ
আত কিছু দোষ নাই ॥
সুন্দৰীৰ বাণী মনে অনুমানি
বাসুকি আসিলা ধাই ॥
সহস্ৰেক ফনা দেখি বিতোপন
মনি বিৰচিত কায় ॥
নাকৰ নিশ্বাস ভকভকি আসে
বিষ বহ্নি উথলিলা ।
যি দিশক যাই পুৰি দহি যাই
ছুনুৰে তাঙ্ক দেখিলা ॥
আসয় বাসুকি নাগে পাৰে উকি
আনে দণ্ড ছত্ৰ ধৰি ।
যুজিবো কিসক ইটো বানৰক
বিষ লাগি যাইবে মৰি ॥
বাসুকি বোলয় বায়ুৰ তনয়
জাতিত তই বানৰ ।
ইটো পুৰি মোৰ দুখ দিলি ঘোৰ
মাৰিলিহি নাগবৰ ॥
আৰু কি কৰিবি কোন স্থানে যাইবি
পৰিলি মোৰ হাতত ।
যাৰ জাতি ধৰ্ম্ম সেহি তাৰ কৰ্ম্ম
জানাহা তাঙ্ক সাখ্যাত ॥

বানৰ জাতিৰ অৰণ্যে মন্দিৰ
বনৰ ফল আহাৰ ।
তই কেনমতে ফুৰাহা যুদ্ধত
হৈবি আজি ছাৰখাৰ ।।
পবন তনয় হৈয়া ক্রোধময়
জাতিক মোৰ ধৰিলি ।
শুন ক্রুৰ সাপ তোৰ যিবা তাপ
তাক কেনে পাহৰিলি ।।
সাপ আছা যত নিবাস গাতত
কাঞ্চা মৎস্য ফুৰা খাই ।
যেন মোৰ প্রাণ বেদ যে প্রধাণ
তাত থিক থিক নাই ।।
কেনমতে তই হৈলি সৰ্পৰাজ
মৰি যাইবি মোৰ হাতে ।
কিন্তু এক গুটি কাৰ্য্যে তোক লাগে
সাগৰৰ মথনিত ।
এতেকতে মই কহোঁ শুন তই
শ্রীৰাম চন্দ্ৰৰ বাণী ।।
মাথাত কৰিয়া লবকুশ দুই
সীতা সমে তিনি প্রাণী ।।
আনি দেহ মোৰে অযোধ্যা নগৰে
চলি যাইব এতিক্ষণে ।
তাহাক নাপাইলে নহিবেক ভালে
সবংশে কৰিবো ছন ।।
শুনিয়া হনুৰ বচন নিষ্ঠুৰ
বাসুকিৰ হৈল ৰাগ ।

সবে বেঢ়ি ধৰা বিলম্ব নকৰা
মোৰ যত আছা নাগ ॥
বাসুকি বচন শুনি নাগগন
হুনুক বেৰি ধৰিল। ।
মহা ক্ৰুদ্ধ মনে খোত্তয় দশনে
ঢালে বিষ যেন জল ॥
তথাপি কপিৰ গাৱ নলৰয়
যতেক কামুৰি খায় ।
লেঙ্গুৰ বঢাই আনিলা চপাই
মাৰিয়া কৰিলা ঠাই ॥
দেখি বাসুকিৰ ক্ৰোধে কপে শিৰ
নিশ্বাস তেজন্ত ঘন ।
মনে মনে ভাবি বোলো মায়া কৰোঁ।
যুদ্ধত হয় নিপুণ ॥
অসংখ্যাত সৰ্প মায়ায়ে স্ৰজিলা
তত কালে গৈলা ধায় ।
বেঢ়ে সৰ্পগনে পৱন তনয়
দেখি ধাত্তু উৰি যায় ॥
পৱন তনয় দেখি তমোময়
বাসুকি ইটো স্ৰজিলা ।
অসংখ্যাত শুদ্ধ সুবৰ্ণ সদৃশ
গড়ুৰ পক্ষী নিৰ্মিলা ॥
দান্ত চাৰি চাৰি তিনি কৌটি হস্তী
দান্ত ভিৰি ভিৰি ধাইলা ।
একগোট হস্তী এক মত্ত সিংহে
কুম্ভ স্থল বিদাৰিলা ॥

শুনিলা কুমৰ সিংহ বৰাবৰ
বাসুকিক গৈলা ধায়া ।
সিংহৰ বিক্রম দেখি যেন যম
জানিলা কপিৰ মায়া ॥
ফোকাৰ কৰিয়া বিষ বহ্নি দিয়া
মায়াগন সংহাৰিলা ।
সহস্রেক ফনা তুলি একবাৰ
হনুক কোপে দংশিলা ॥
ঘোৰ বিষ লাগি যাই দেহ ভাগি
হনুমান বীৰবৰ ।
লোহাৰ যে দাঙ্গ তুলি কোৰ দিলা
বাসুকি শিৰ উপৰ ॥
তিৰ মিৰ কৰি বাসুকিৰ ফনা
কতো কতো খণ্ড ভৈলা ।
পাছে সৰ্পৰাজ মিলিলা অকাজ
দাৰুণ দুখ মিলিলা ॥
পাছে পৰিক্ষিত নাগে খেদি আসি
গৈলা খণ্ডে ফেট তুলি ।
দুৰ্জ্জন বানৰ এবে কৈক খাইবি
খোণ্ট মাৰে এহি বুলি ॥
হনুৰ উৰুত কামোৰ দিলেক
মাংস আজোৰয় টানি ।
এক গোট চৰে পৰীক্ষিত নাগ
পৰিলা অন্তৰ জানি ॥
সবে দেৱগন বিমানে চৰিয়া
চাই আছে থকে হিয়া ।

গন্ধৰ্ব্ব কিন্নৰ লোকাৰ পাৰয়
বিমানগন তন্তায়া ॥
সর্প যে বানৰ যুদ্ধ বিপৰীত
কাৰো ভুৰুভঙ্গ নাই ।
পুন্নু পৰীক্ষিত নাগে চুৰ্ত্তি পাই
ক্রোধে আসিলেক ধাই ॥
শুনৰে বানৰ যশ পাইলি বৰ
চৰৰ মোক মাৰিলি ।
এতিক্ষণে তই যমপুৰে যাইবি
এহি বুলি লাঙ্গ তুলি ॥
ঘোৰ বজ্রপাত পৰম নির্ঘাত
একো চাট কোব দিলা ॥
পবন নন্দন বীৰ হনুমান
কিছু তিৰি মিৰি ভৈলা ।
মহা কোপ মনে পবন নন্দনে
কৰিলা লাঠি প্রহাৰ ।
উফৰি পৰিল চেতনা হৰিল
সিয়ো ভৈলা চাৰ খাৰ ॥
দেখিয়া বাসুকি হুনুৰ ভাবুকি
ক্রোধে আতি কম্পমান ।
সহস্রেক ফনা মেলি অতিশয়
খেদি গৈলা তেতিক্ষণ ॥
ফণা মণিযত সূর্য্যৰ কিৰণ
কৰে আতি চিক মিক ।
বিদ্যুত সঞ্চাৰে খেদিয়া আসিলা
বোলে জীবি আৰ কিকি ॥

মই সৰ্পৰাজ প্ৰচণ্ড প্ৰতাপ
গড়ুৰক নাহি ভয় ।
কিনো বিপৰীত তাপ দিলি মোক
বনৰ ভই বানৰ ॥
এতিক্ষণে তোক নিব যম পুৰে
আৰ মোত দোষ নাই ।
এহি বুলি আগ বাঢ়িয়া বাসুকি
লেঙ্গুল বঢ়াইলা যাই ॥
হনুৰ সমস্তে গাৱ মেৰ দিলা
লেঙ্গুলে আটি ধৰিলা ।
সহস্ৰেক ফনা খোস্তাবেক লৈলা
কপিৰ চূৰ্ত্তি হৰাইলা ॥
হাত পাৱ বন্ধ ভৈলন্ত হনুৰ
বিবৰ্ণ বিষৰ জালে ।
লৰিবে চৰিবে একো নপাৰয়
বীৰে বোলে ভালে ভালে ॥
দেখি দেৱ চয় পৰম বিস্ময়
বোলে কিনো বিপৰীত ॥
বাসুকিৰ হাতে মৰে বায়ুসুত
ইটো কেনে বিপৰীত ।
পাছে হনুমন্তে গাৱ জঙ্কাবিলা
বাসুকি লেঙ্গ এৰিলা ।
এক গোট মুষ্টি প্ৰহাবিলা ডাঠে
সমস্তে ফনা ভাঙিলা ॥
মণিগন যত ভৈলা চূৰ্ণাকৃত
বাসুকি চুৰ্ত্তি নাপাই ।

অমৃত পৰশ পূৰ্ব্বে পাল্লা আতি
জানিবা আছে জীয়াই ॥
সুস্থ হুয়া পাছে কোপে সৰ্পৰাজ
পুনু লেজ চাতি দিলা ॥
হামকুৰি খাই পৰে কপিবৰ
উপৰে নাগ চৰিলা ।
পৰিল বানৰ দেখিয়া বাসুকি
কামোৰে তুলিয়া ফণা ।
দাৰুণ বিষৰ ৰাগে বায়ুসুত
দেখা কেনে বিড়ম্বনা ॥
সুস্থ নাহি বীৰ কম্পয় শৰীৰ
অসংখ্য নাগ উপৰ ।
কৰফাল দিয়া উঠিয়া বসিলা
মহাক্রোধে বীৰবৰ ॥
সমস্তে নাগক হাতে আটি ধৰি
হাড় মূৰ ভাঙি গৈলা ।
সবে ভৈলা ক্ষয় গৈলা যমালয়
বাসুকি সবে দেখিলা ॥
পাছে বাসুকিৰ সহস্র ফনাক ॥
একেবাৰে ধৰি হাতে ।
শৰীৰ উপৰে বশি বীৰবৰে
যেন বগুৰাৰ পাতে ॥
নাকেমুখে যেন কধিৰ বহয়
যেন নদী বহি যায় ।
নিচেষ্ট বাসুকি নপাৱ উশাস
ভাৰ্য্যাগণে আছে চাই ।

হনুমন্তে বোলে শুন দুৰাচাৰ
নেৰিবো তোক ইবাৰ ।
সম্বৰ কৰিয়া লব কুশ আৰু
সীতাক নামিলে আৰ ॥
তোহোক মাৰিলে তোৰ ভুবনত
নাগ নাহি ৰবে আৰ ।
তোৰ নাগ পত্নী বসুমতী আগে
কহিয়োক সাৰে সাৰ ॥
ৰামৰ প্ৰসাদে হনুৰ প্ৰমাদে
বাসুকিক আছে ধৰি ।
তাৰ ভাৰ্য্যাগণে বসুমতী আগে
কহে মহা দুখ কৰি ।
শুনা সভাসদ ৰামায়ণ পদ
হেলা নকৰিবা মনে ।
মুকুতি মিলয় পাপদূৰ হয়
ডাকি বোলা ৰাম মনে ॥

বিৰূপদ লেছাৰী

শুনা মাৱ বসুমতী ঃ দেখা হয়ো আমি নিমন্ত্ৰিতি
তোমাৰ চৰণে ঃ পশিলো শৰণে
মৰি যাই হেৰা স্বামী ।
কথিব বহয় নাকে মুখে ঃ তাক চায়ো মাৱ কোন সুখে
নৰহে পৰাণ ঃ দিয়া স্বামী দান
তুমি মাৱ ভগৱতী ॥

পৰম দুৰ্ব্বাৰ কপিবৰ ঃ আসিয়া ৰামৰ অনুচৰ
লবকুশ দুইকো ঃ আৰু জানকীকো
দিয়া আনি এহি স্থান ।
শীঘ্র কৰি মোক দিয়া আনি ঃ মাৰিবোহো তোক নিষ্ঠ কৰি
আছে আটি ধৰি ঃ স্বামী যাই মৰি
কৰা এবে পৰিত্ৰাণ ॥
পায়ে পৰি স্তুতি নতি কৰি ঃ আছে বসুমতী আগে পৰি
নপায়ে উদিশ ঃ কৰে উকমিক
ভৈলা কিনো বিপৰ্য্যয় ॥

পদ

শুনি লব কুশে হেন বচন বুলিলা ।
শুনা মাতামহী কেনে আমাক বঞ্চিলা ॥
কহি আছা আমাসাক সবে বাৰ ৰাৰ ।
তোমাৰ দ্বীপৰ কেহো নাহি অধিকাৰ ॥
মহামায়া হৈতে দ্বীপ কৰিছা নিৰ্ম্মাণ ।
তোমাৰ নাগৰ মৃত্যু নাহি এক স্থান ॥
ৰামচন্দ্ৰ নাৰায়ণ হৰি অৱতাৰ ।
তোমাৰ দ্বীপৰ কিন্তু নাহি অধিকাৰ ॥
জনম মৰণ মৃত্যু কাৰ হাতে নাই ।
এহি বুলি আমাসাক কহিলা বুজাই ॥
প্ৰলয়ত প্ৰকৃতি স্ৰজিলা নাৰায়ণ ।
মহামায়া প্ৰকৃতিক কৰিলা সৃজন ॥
প্ৰকৃতি পুৰুষ ৰূপে ভৈলা অৱতাৰ ।
যাৰ লোম কূপে জাত ৰুদ্ৰ গণেশ্বৰ ॥

শাস্ত্র সদাচাৰ একো নাচাৰা বিচাৰি ।
তোমাসাৰ সম কোন আছে অহঙ্কাৰী ॥
যাহাৰ আদেশে নাম ধৰা বসুমতী ।
ফল খাই বৃক্ষ ডাল নিচিনা যুৱতী ॥
তথাপি কৰিবো তযু বচন দুই ভাই ।
হনুৰ পাশক লাগি শীঘ্রে যাওঁ ধাই ॥
তেতিক্ষণে চলি গৈলা ৰাজাৰ নন্দন ।
তাহাঙ্ক দেখিয়া বীৰ হৰষিত মন ॥
হনুৰ শিৰত দেৱে পুষ্প বৰিষয় ।
ৰাম কাৰ্য্য সাধিলন্ত বায়ুৰ তনয় ॥
তেতিক্ষণে বাসুকি আচুৰি পোলাইলা ।
বিমূৰ্চ্ছিত হুয়া পাছে দূৰত পৰিলা ॥
নাহিকে চেতনা জ্ঞান চক্ষু ওলোটাই ।
সবে মনি ফণা ভাঙি থাকিলা কেঙ্কাই ॥
লাহে লাহে বোলে ধন্য ধন্য হনুমান ।
তোমাৰ সমান বীৰ নাহি নাহি আন ॥
মোৰ বিষ ৰহ্নি সবে হুয়া মষিমুৰ ।
তোমাৰ হাতত সবে দৰ্প ভৈলা চুৰ ॥
লৱকুশ দুইকো হনু প্ৰণাম কৰিলা ।
পৰম হৰিষে দুইকো কোলে তুলি লৈলা ॥
কহিয়োক বাপু সীতা আছে কোন স্থানে ।
সত্বৰে আসোক ৰাম নৰহে পৰাণে ॥
সীতাক প্ৰণমি বসুমতীক নমিলা ।
উঠা মাৱ বুলি মাথা চপৰাই দিলা ॥
পাছে বসুমতী এক মায়া সৰজিলা ।
সীতা লৱকুশ লেখ জোখ নাহি ভৈলা ॥

সিটো মায়া খর্ব্ব কৰিলেক বীৰ বৰ
কান্ধে লৱকুশ সীতা মাথাৰ উপৰ ॥
ৰামৰ আগত নিয়া দিলা তিনিজন ।
দেখিয়া ৰামৰ অতি আনন্দিত মন ॥
লবকুশ দুহাত্তকে দেখি ৰাম ৰাই ।
মুখত চুম্বন দিয়া কোলাত বসাই ॥
ভৰত শত্রুঘ্ন যত যত প্রজাগন ।
কৌশল্যা সুমিত্রা অতি আনন্দিত মন ॥
হৰিৰ মন্দিৰে পশিলন্ত সীতা সতী ।
সিংহাসন হন্তে চলি গৈলা ৰঘুপতি ॥
মহাশোকে সীতা দেৱী নমিলা চৰণ ।
ৰামে বোলে বান্ধে আৰু এৰা অভিমান ॥
তুমি অবিহনে মোৰ নৰহে পৰাণ ।
তোমাৰ বিয়োগে দুখ হৈছে বহুমান ॥
সীতা বোলে শুনা ৰাম জগত আধাৰ ।
পুনু ইহ জন্ম আৰু নাহিকে আমাৰ ॥
এহি বুলি সীতাসতী অন্তৰ্ধ্যান ভৈলা ।
মায়াবলে দেবী পুনু পাতালক গৈলা ॥